প্ৰবন্ধ

# শিক্ষা ঃ সামাজিক প্ৰগতিৰ চাবিকাঠি

স্বৰ্ণ লতা দাস
সহকাৰী অধ্যাপিকা

সমাজ আৰু মানুহৰ মজাত থকা সম্পৰ্কৰ দৰে সমাজ আৰু শিক্ষাৰ মাজতো অতি ঘনিষ্ঠ সম্পৰ্ক আছে। মানুহৰ জীৱনৰ প্ৰণালীবদ্ধ সন্মিলিত প্ৰক্ৰিয়াক সমাজ বুলি কোৱা হয়। সামাজিক জীৱন প্ৰক্ৰিয়াত মানুহৰ সম্পৰ্কৰ দিশসমূহ পৰিৱৰ্তনশীল। শিক্ষাৰ সামাজিক ধাৰণাক জনডিউৰ "The school and society" আৰু "Democracy and Education" নামৰ গ্ৰন্থ দুখনে অধিক জনপ্ৰিয় কৰি তুলিছে। ইয়াৰ মাজেৰে তেওঁ শিক্ষা প্ৰক্ৰিয়াৰ দুটা বিশেষ দিশৰ কথা উল্লেখ কৰিছে যদিও ব্যক্তি আৰু সমাজৰ মাজেৰে শিক্ষাই কেনেদৰে পৰিচালিকা শক্তি হিচাপে অৰিহণা যোগায় আহিছে, এই দিশটোৰ ওপৰত বেছি গুৰুত্ব দিছে। তাতে তেওঁ মন্তব্য কৰিছে "All education proc. ‛ds by the participation of the individual in the social conciousness of the race."

পৃথিৱীৰ অন্যান্য দেশৰ দৰে ভাৰতবৰ্ষতো প্ৰাচীন আৰু মধ্যযুগীয়া সময়ৰ শিক্ষা প্ৰক্ৰিয়াত সমাজৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। শিক্ষা প্ৰক্ৰিয়াৰ মাজেৰে মানুহৰ সমাজ জীৱনৰ সমস্যাসমূহ সমাধানত গভীৰ প্ৰচেষ্টা চলোৱা হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত সমাজৰ পুনৰ গঠনত শিক্ষাই এক প্ৰধান আহিলা হিচাপে গুৰুত্ব আৰোপ কৰি আহিছে। ১৯৪৮ চনৰ বিশ্ববিদ্যালয় আয়োগৰ পৰা আৰম্ভ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি লৈকে সমাজ উন্নয়নত যে শিক্ষাৰ গুৰুত্ব অপৰিসীম এই কথা ১৯৬৪-৬৬ কোঠাৰি আয়োগৰ দৃষ্টিভংগীৰ জৰিয়তে উপলব্ধ। সেয়েহে আয়োগে কৈছে — "The destiny of India is now being shaped in her classroom."

সামাজিক প্ৰগতি মানেই সমাজত হোৱা পৰিৱৰ্তনকে বুজায়। Progress শব্দটো লেটিন শব্দ Progreditor ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে আগবঢ়া বা অগ্ৰসৰ হোৱা। এল টি হবজাউচ (L.T. Hobb House) য়ে তেখেতৰ পুথি "Social Development" ত উল্লেখ কৰা অনুযায়ী সামাজিক প্ৰগতিৰ বৈশিষ্ট্য চাৰিটা যেনে -

(ক) জনসংখ্যাৰ আকাৰ ক্ৰমাৎ বৃদ্ধি লাভ
(খ) কৰ্মদক্ষতাৰ বৃদ্ধি
(গ) ব্যক্তি স্বাধীনতা
(ঘ) পাৰস্পৰিকতা

ক্ৰমাৎ বৰ্দ্ধিত জনসংখ্যাই সমাজ উন্নয়নত প্ৰভাৱ পেলায়। কিয়নো জনসংখ্যা বেছি থকা সমাজবোৰৰ যোগ্য দক্ষতাপূৰ্ণ আৰু ভিন্ন অভিৰুচিৰ ব্যক্তিৰ উপস্থিত পোৱা যায়। তেওঁলোকে শিক্ষাৰ যোগেদি সমাজৰ প্ৰগতিৰ হকে অৰিহণা যোগায়।

ব্যক্তিৰ কৰ্মদক্ষতাৰ ওপৰত সমাজৰ প্ৰগতি নিৰ্ভৰ কৰে। উপযুক্ত শিক্ষাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ কৰ্ম কৌশলতা, দক্ষতা, বুদ্ধি, ধৈৰ্য্য আদি প্ৰয়োগ কৰি সমাজ নিৰ্মাণত নিজকে নিয়োগ কৰে।

ব্যক্তিৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ স্বাধীনতাৰ

প্রয়োজন। কিয়নো স্বাধীনতা অবিহনে কর্ম দক্ষতা বৃদ্ধি নহয়। শিক্ষাৰ জৰিয়তে আত্ম উপলব্ধিৰ মাজেৰে আভ্যন্তৰিণ স্বাধীনতাৰ সৃষ্টি হয়। ইয়ে সামাজিক প্রগতিৰ দিশত অৰিহণা প্রদান কৰে।

সমাজৰ ব্যক্তিসকলৰ মাজত "আমি ভাব" (We feeling)ৰ মনোভাব থকাটো নিতান্ত প্রয়োজন। যিয়ে ব্যক্তিসকলৰ মাজত পাৰস্পৰিক কাৰ্যত সহায়-সহযোগ, মৰম-স্নেহ, বুজা-পৰা আদিৰ বান্ধোনেৰে সুস্থ সমাজ গঠনত অৰিহণা যোগায়।

শিক্ষা হ'ল গণতন্ত্রৰ প্রধান অস্ত্র। গণতান্ত্রিক দেশত শিক্ষাই ব্যক্তিক সমাজ সেৱাৰ বাবে উপযুক্ত সু-নাগৰিকত্বৰ জ্ঞান প্রদান কৰে। এখন সমাজ যোগ্যতা সম্পন্ন সমাজ হিচাপে বিবেচিত হ'বলৈ হ'লে সমাজৰ ব্যক্তিসকল হ'ব লাগিব শাৰীৰিকভাৱে শক্তিশালী, বৌদ্ধিকভাৱে বিকশিত, অৰ্থনৈতিক ভাবে আত্ম নিৰ্ভৰশীল আৰু নৈতিকভাৱে সু-অনুশাসিত । একমাত্র শিক্ষাইহে সামাজিক ভাবে যোগ্য আৰু আত্মনিৰ্ভৰশীল ব্যক্তি গঢ়ি তুলিব পাৰে। ব্যক্তি আৰু সমাজৰ উমৈহতীয়া বিকাশ কেৱল শিক্ষাইহে কৰিব পাৰে।

সাম্প্রতিক সময়ত আধুনিক শিক্ষাৰ উন্নতি আৰু সম্প্ৰসাৰণে বিশ্বৰ মানৱ সমাজত এক ব্যাপক গতিশীলতাৰ সৃষ্টি কৰিছে। এই পৰিৱৰ্তনে সমাজত নতুন দৰ্শন, কলা, সাহিত্য, নৃত্য, গীত আদিৰো সৃষ্টি কৰিছে। এই দিশত শিক্ষাৰ দুটা দিশ দেখিবলৈ পোৱা যায়- সামাজিক প্রগতিত শিক্ষাৰ সৃষ্টিশীল দিশ আৰু আনটো হ'ল সামাজিক প্রগতিৰ পথত শিক্ষাৰ জৰিয়তে সংৰক্ষিত সভ্যতা সাহিত্য, সংস্কৃতিৰ উন্নয়নৰ দিশ।

বৰ্তমান মানুহক দেশৰ মানৱ সম্পদ হিচাপে বিবেচনা কৰা হৈছে। বিদ্যালয় হৈছে মানুহ গঢ়াৰ কাৰখানা। শিক্ষাৰ সৃষ্টিশীল দিশটোৱে শিক্ষকসকলক শিল্পী সজাই সুন্দৰ কৈ মানৱ সম্পদ ৰূপী নৱ প্ৰজন্মক গঢ়ি তুলিব লাগিব। য'ত শিক্ষা আৰু জাতীয় বিকাশৰ মাজৰ সম্পৰ্ক ওচৰ চাপি আহিছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাবিদ ৰচে মন্তব্য কৰিছে যে- বিদ্যালয় শিক্ষাৰ প্রগতিৰ ইঞ্জিন (Mighty Engine) । জাতি গঠনৰ এনেকুৱা ধাৰণাই শিক্ষকসকলক শিপাই পেলাইছে। সমাজ নিৰ্মাণত শিক্ষকসকলৰ দায়িত্ব অপৰিসীম। তেওঁলোকে পৰিৱৰ্তিত সময়ৰ লগত আধুনিকতা আৰু সামাজিক বিকাশৰ প্ৰতিনিধি হিচাপে সাজু হ'ব লাগিব। শিল্পীয়ে সুন্দৰ কৈ পুতলা সজাৰ নিচিনাকৈ নৱ প্ৰজন্মক গঢ়ি তুলিব লাগিব। এই প্রসংগতে ড° এ.পি.জি. আব্দুল কালামে তেওঁৰ গ্ৰন্থ "India 2010 -A vision of the new millenium" ত কৈছে "আপুনি এগৰাকী শিক্ষক হিচাপে আপোনাৰ যিখিনি ক্ষমতা আছে, সেই ক্ষমতাৰে আপুনি ভৱিষ্যৎ প্ৰজন্ম গঢ় দিয়াৰ ক্ষেত্ৰত সমাজৰ অন্য এজনতকৈ বিশেষ ভূমিকা অৱতীৰ্ণ হ'ব লাগিব"।

নতুন শতিকাত সমগ্ৰ বিশ্বকে গভীৰভাৱে প্রভাৱিত কৰা গুৰুত্বপূৰ্ণ ধাৰণাটো হ'ল বিশ্বায়ন। বিশ্বায়নৰ শিক্ষাৰ সৈতে ঘনিষ্ঠ সম্বন্ধ আছে। সমাজৰ প্রগতিত বিশ্বায়নে শিক্ষাৰ সৃষ্টিশীল দিশটোক সামৰি লৈছে। সেয়ে শিক্ষাক বিশ্বায়নৰ লগত সংলগ্ন কৰি সামাজিক প্রগতিৰ আহিলা হিচাপে বিবেচনা কৰা হৈছে। এই কথা সহজেই অনুমেয় যে বিশ্বায়নৰ বাবে শৈক্ষিক দৃষ্টিপট দ্রুতগতিত সলনি হ'বলৈ ধৰিছে। পৃথিৱীখনক এখন চাৰিসীমা নথকা গাঁৱলৈ সলনি কৰিছে। বিশ্বজনীন জ্ঞান তথা তথ্যৰ যুগত সমাজৰ ভৱিষ্যৎ ক্রমে শিক্ষাৰ ভৱিষ্যতৰ ওপৰত নিৰ্ভৰশীল হৈ গৈ আছে। নৱ প্ৰজন্মক উক্ত দিশত সৃষ্টিশীল প্রতিভাৰ বিকাশ সাধন কৰি প্রগতিশীল সমাজৰ মানদণ্ড গঢ়ি তুলিব লাগিব।

এক বিংশ শতিকাত শিক্ষা ব্যৱস্থাই দ্বৈত প্রত্যাহ্বানৰ সৈতে যুঁজিবলগীয়া হৈছে। প্রথম প্রত্যাহ্বানটো হ'ল এখন বিশ্ব বজাৰত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পৰাকৈ নৱ প্ৰজন্মক প্রয়োজনীয় নতুন জ্ঞান, দক্ষতা আৰু প্ৰমূল্যৰে সবল কৰি তোলা আৰু আনটো হ'ল নৱ প্ৰজন্মক নিজ দেশ তথা বিশ্ব উভয়ৰে বাবে দায়িত্বশীল প্রাপ্তবয়স্ক আৰু সু-নাগৰিক হিচাপে গঢ়ি তোলে।

সামাজিক প্রগতিৰ সৃষ্টিশীল দিশত শিক্ষাই ব্যক্তিৰ দৈনন্দিন জীৱনৰ মানদণ্ড, জীৱন শৈলী, ভাবধাৰা, আচৰণ দৃষ্টিভংগী আদি সকলোতে অভাৱ পেলাইছে। সমাজত শিক্ষাৰ পৰিসৰ বৃদ্ধিৰ লগে লগে বিভিন্ন স্তৰৰ লোকসকলে নিযুক্তিৰ সা-সুবিধা লাভ কৰিছে আৰু আত্ম নিৰ্ভৰশীল ব্যক্তি হিচাপে সমাজ উন্নয়নত থিয় দিবলৈ সক্ষম হৈছে।

শিক্ষাৰ দ্বাৰা সমাজৰ জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে

সকলো লোকক সমান শিক্ষাৰ সুবিধা প্ৰদান কৰা হৈছে। নিয়োগ খণ্ডত অথবা শিক্ষা ক্ষেত্ৰত নাৰী-পুৰুষ সকলোকে সম অধিকাৰ প্ৰদান কৰা হৈছে আৰু ইয়ে সামাজিক নিৰাপত্তা ৰক্ষা কৰাত ইন্ধন যোগাইছে। যাৰ ফলত সমাজত অৰ্থনৈতিক বৈষম্যতা, শোষণকাৰী আদিৰ প্ৰতি ব্যক্তি সচেতন হৈ উঠিছে।

শিক্ষাৰ সৃষ্টিকামী দিশটোৱে ব্যক্তিক বিভিন্ন সামাজিক প্ৰগতিৰ হেঙাৰ স্বৰূপে দেখা দিয়া সমস্যাবোৰ যেনে জনসংখ্যা বিস্ফোৰণ, পৰিৱেশ অবনয়ন, দৰিদ্ৰতা, নিৰক্ষৰতা, অজ্ঞতা আদি দিশৰ ওপৰত গুৰুত্ব দি আহিছে। ইয়াৰ সমাধান কল্পে জনসংখ্যা সচেতনতা, পৰিৱেশ সচেতনতা আদি গুণৰ বিকাশ সাধন কৰি সুস্থ সামাজিক পৰিৱেশ নিশ্চিত কৰিব পাৰিছে। শিক্ষাই সামাজিক উন্নতিৰ বাবে দেশৰ মানৱ সম্পদৰ বিকাশৰ বাবে কঠিন পৰিকল্পনা কৰে। দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ স্বাস্থ্যৰ ওপৰত গুৰুত্ব দিয়াৰ ফলস্বৰূপে মৃত্যুৰ হাৰ কৰি আহিছে, সমাজত আৰ্থিক সংকট দূৰ হৈছে আৰু প্ৰগতিত অৰিহণা যোগাইছে। সমাজ উন্নয়নৰ সৃষ্টিশীল ৰূপত শিক্ষাই মানুহৰ মাজত থকা ৰক্ষণশীলতা, কুসংস্কাৰ, সামাজিক ব্যাধি আদি দুৰীকৰণৰ বাবে শিক্ষাৰ পৰিসৰত অন্যান্য শিক্ষা সা-সুবিধা যেনে- অগতানুগতিক, অবিৰত শিক্ষা, জীৱন ব্যাপী শিক্ষা, অৱসৰ জীৱন-যাপনৰ শিক্ষা, নাৰী শিক্ষা আদিৰ ব্যৱস্থা কৰিছে আৰু সামাজিক প্ৰগতিৰ বাট সুচল কৰিছে।

সামাজিক প্ৰগতিৰ চাবি-কাঠী হিচাপে শিক্ষাৰ সংৰক্ষণশীল দিশটোৱে অতীতৰে পৰা আমাৰ সংৰক্ষিত সভ্যতা, সংস্কৃতি, সাহিত্য আদিৰ মাজেৰে সমাজৰ ভেঁটি সুদৃঢ় কৰিছে। ব্যক্তি আৰু সামাজিক প্ৰক্ৰিয়া বিৱৰ্তন প্ৰক্ৰিয়াৰ মাজেৰে বিকশিত হয়। বিৱৰ্তন প্ৰক্ৰিয়া হ'ল এক গতিশীল নিবিড় প্ৰক্ৰিয়া, ইয়াৰ অন্ত নাই। মানুহে উচ্চৰ পৰা সুউচ্চ স্তৰ পোৱা ক্ষেত্ৰত এই প্ৰক্ৰিয়াই সহায় কৰে। শিক্ষা হ'ল বিৱৰ্তন প্ৰক্ৰিয়াৰ কৰ্মশীল দিশ মাথোন।

ডাঙৰ গছৰ ছাঁয়ো ডাঙৰ হয়। সেয়ে অতীতৰ সংৰক্ষিত সভ্যতা, সংস্কৃতি, সাহিত্য আদিৰ সবলীকৰণে বৰ্তমানৰ পৰিৱৰ্তনশীল সমাজ গঢ়াৰ ডাঙৰ ছাঁৰ নিচিনাকৈ সমল বিচাৰি পাবলৈ সক্ষম হৈছে। কিয়নো আমাৰ সমাজৰ সাহিত্য, কলা সংস্কৃতি, বিজ্ঞান আদি সকলো সম্পদ শিক্ষাৰ মাজেদিয়ে সংৰক্ষণ কৰা সম্ভৱ হয়। শিক্ষাই বিদ্যালয়সমূহত পাঠ্যক্ৰমৰ মাজেৰে আমাৰ পূৰ্বপুৰুষসকলৰ জ্ঞান, ভাব, আদৰ্শ, সংস্কৃতি আদিক উত্তৰ পুৰুষলৈ প্ৰেৰণ কৰে। শিক্ষাৰ জৰিয়তে ব্যক্তিয়ে সভ্যতা, সংস্কৃতি, সাহিত্য আদিৰ মানদণ্ডক সমাজ উন্নয়নত নিয়োগ কৰিব পাৰে।

ভাৰতবৰ্ষৰ সংস্কৃতিৰ ঐতিহ্যৰ পৰিসৰ অতি বহল আৰু সুবিস্তৃত। পুৰণি প্ৰজন্মৰ পৰা নতুন প্ৰজন্মলৈ সামাজিক সাংস্কৃতিক ঐতিহ্যসমূহ সৰবৰাহ কৰাৰ ক্ষেত্ৰত শিক্ষাই বিশেষ ভূমিকা পালন কৰিছে। শিক্ষাৰ দ্বাৰাই সমাজত প্ৰচলিত সকলো পুৰণি পৰম্পৰা, মূল্যবোধ, আদৰ্শ আৰু বহুমূলীয়া ৰীতি-নীতি সংৰক্ষণ কৰাৰ লগতে ব্যক্তিৰ জীৱন-যাপনৰ প্ৰণালীসমূহো সংৰক্ষণ কৰিব পাৰি। পূৰ্ব পুৰুষসকলৰ জ্ঞান অভিজ্ঞতা আদিকো শিক্ষাৰ জৰিয়তে সংশোধন কৰি নতুন পৰিৱেশ আৰু সমাজ উন্নয়নৰ পথত প্ৰয়োগ কৰিব পাৰি। সামাজিক প্ৰগতিৰ বিভিন্ন উপায় ৰচনা কৰাৰ মূলতেই হ'ল শিক্ষাৰ এই সংৰক্ষণকাৰী দিশটো। অনৈক্যৰ মাজত ঐক্য হৈ জাতি গঠনত আগবাঢ়ি যোৱাৰ মূলতেই হৈছে অতীতৰ সংৰক্ষিত বিভিন্ন কলা, সাহিত্য, সংস্কৃতি, সাহিত্য আদিৰ ৰূপটোৰ বাবে।

শিক্ষা সামাজিক প্ৰগতিৰ চাবি-কাঠী হিচাপে শিক্ষাৰ বাহ্যিক আৰু অভ্যন্তৰীণ অৱস্থাৰ সহায়েৰে ব্যক্তিৰ আদৰ্শ, মূল্যবোধ, দৃষ্টিভংগীৰ সলনি কৰি সমাজক নতুন ধ্যান-ধাৰণাৰে প্ৰগতিৰ পথলৈ আগুৱাই নিব লাগিব। শিক্ষাৰ সৃষ্টিশীল আৰু সংৰক্ষণশীল দুয়োটা দিশৰ মাজেৰে সমাজত ব্যক্তিৰ শিক্ষাৰ মানদণ্ড উচ্চমান অথবা গুণমান বিশিষ্ট কৰি তুলিব লাগিব। শিক্ষাৰ দ্বাৰ ব্যক্তিৰ প্ৰবৃত্তি চালিত আচৰণৰ পৰিশোধন কৰি সমাজ প্ৰগতিৰ ভেটি সুদৃঢ় কৰি তুলিব লাগিব। বৰ্তমান সমাজত প্ৰচলিত হৈ থকা ৰাজনৈতিক পৰিৱৰ্তন, অৰ্থনৈতিক নিৰ্ভৰশীলতা, সাংস্কৃতিক বিকাশ,সামাজিক সংস্কাৰ আদিৰো মূল চাবি-কাঠী হৈছে শিক্ষাই। শিক্ষাৰ জৰিয়তে সমাজত নৱজাগৰণ সুত্ৰপাত, শিল্প বিপ্লৱৰ সম্প্ৰসাৰণ, বিশ্বৰ ক্ষুদ্ৰ আৰু বৃহৎ আন্দোলন, জাতীয় সচেতনতাৰ সৃষ্টি হৈ সমাজত আধুনিক শিক্ষাৰ দ্ৰুত উন্নতি সাধিত হৈছে। ফলত সমাজত নতুন দৰ্শন, সাহিত্য, কলা, ভাষা আদিৰ উন্নতিয়ে সামাজিক দিশত বিভিন্ন প্ৰগতি কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

সদৌ শেষত বিশ্বায়নে বিশ্ব অৰ্থনীতিৰ দিশেৰে শিক্ষাক এক আন্তঃ ৰাষ্ট্ৰীয় পণ্য সামগ্ৰী বুলি বিবেচনা কৰিছে। শিক্ষাৰ নামত মানুহ দক্ষতা আৰু জ্ঞানত মুলধন বিনিয়োগ কৰা হয়। গতিকে শিক্ষাৰ বাবে থকা প্ৰত্যাহ্বানবোৰ হ'ল ব্যক্তিক এখন বিশ্ব সমাজত বসবাস কৰিব পৰাকৈ সু-যোগ্য কৰি তোলাটো। এই বিশ্ব জনীন শিক্ষাৰ ধাৰণাই সমাজৰ প্ৰগতিত প্ৰতি গৰাকী ব্যক্তিকে মুক্তভাৱে বিকশিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। শিক্ষাই সামাজিক প্ৰগতিৰ মূল চাবি-কাঠী হিচাপে নৱ প্ৰজন্মক নতুন সাহিত্য, কলা-সংস্কৃতিৰ দক্ষতা আহৰণত অৰিহণা যোগাইছে।

প্ৰসংগ পুথি


- ডেকা, ড° বীৰেন্দ্ৰ ঃ সমগ্ৰ শিক্ষা, অশোক বুক ষ্টল, গুৱাহাটী - ১
- শৰ্মা, ড° নাৰায়ন - শিশু শিক্ষা আৰু সাম্প্ৰতিক শৈশৱ, অশোক পাব্লিকেচন, গুৱাহাটী- ১
- বৰুৱা, যতীন - প্ৰাৰম্ভিক শিক্ষা অধ্যয়ন, এলবিএছ পাব্লিকেচন, গুৱাহাটী - ১
- দাস শৰ্মা, ড° ফুনু- শিক্ষাৰ সামাজিক তাত্বিক ধাৰা-আৰোৱা ফাই আৰ্টছ, গুৱাহাটী- ১
- Ahuja Ram- Society in India, Published by - Prem Rawat for Rawat Publications, Satyam Apts, Sector-3, Jawahar Nagar, Jaipur- 302004 (India)


●●●

**মহৎ লোকৰ বাণী**

- "জীৱনৰ কোনো কথাতে গৌৰৱ নকৰিবা, যদি তুমি সঁচাই উপযুক্ত তেন্তে তোমাৰ জ্ঞান-বুদ্ধিমত্তাক লৈ সমাজেই গৌৰৱ কৰিব।" — ৰঘুনাথ চৌধুৰী
- "এজন ভাল শিক্ষক হেজাৰজন ভাল পুৰোহিততকৈ ওপৰত।" — ইনগাৰ চল
- "যদি সুখী হ'বলৈ বিচৰা, তেন্তে ক্ষমা কৰিবলৈ শিকা।" — মাদাৰ টেৰেছা

প্ৰবন্ধ

# চেমুৱেল বেকেটৰ ৱেটিং ফৰ গুড্

প্ৰশান্ত পাঠক
প্ৰাক্তন ছাত্ৰ

১৯০৬ চনৰ ১৩ এপ্ৰিল। সেইদিনা গুড্‌ফ্ৰাইডে। ডাবলিনৰ ফস্কৰ্ক নামৰ এখন সৰু চহৰত চেমুৱেল বেকেটৰ জন্ম হৈছিল। গুড্ ফ্ৰাইডেৰ দিনা জন্ম লাভ কৰা বাবেই কিজানি বেকেটে পিছলৈ তেওঁৰ নাটকৰ জগতখনত মানৱ জাতিৰ ক্ৰুচিফেকেচন বা অস্তিত্বৰ সংকটৰ মহাৰণত সৈনিক হিচাপে অৱতীৰ্ণ হৈ পৰিল। শৈশৱত পৰটৰা ৰয়েল স্কুলত শিক্ষা গ্ৰহণ কৰি বেকেটে ট্ৰিনিটি কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বেকেটে কৰ্ম সূত্ৰে কিছু বছৰ পেৰিছ আৰু ফ্ৰাঞ্চত থাকি পিছত লণ্ডনকে ধৰি ইউৰোপৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিলে। অৱশেষত ১৯৩৭ চনত তেওঁ পেৰিচত নিগাজিকৈ থাকিবলৈ ধৰিলে।

নাট্যকাৰ হিচাপে বেকেটে খ্যাতি লাভ কৰে তেওঁৰ যুগান্তকাৰী নাটক ৱেটিং ফৰ গুড্ (Waiting for Godot) প্ৰকাশ হোৱা দিনৰে পৰা। ১৯৫২ চনত কিতাপ আকাৰে প্ৰকাশ হোৱাৰ পিছত নাটকখন ১৯৫৩ চনৰ ৫ জানুৱাৰী তাৰিখে পেৰিছৰ 'থিয়েটাৰ ডি বেবিলন' নামৰ নাটঘৰ এটাত প্ৰথম বাৰৰ বাবে মঞ্চস্থ হয়। এয়াই যি যাত্ৰা- এক মহা যাত্ৰা। সকলোকে আচাৰ্য কৰি নাটকখনে যুদ্ধত্তোৰ ইউৰোপত ইয়াৰ ব্যতিক্ৰমি ধাৰাৰে আৰু প্ৰচলিত নাটকৰ সোঁতৰ বিপৰীতে গৈ এক অভিনৱ নতুনত্ব প্ৰদান কৰিলে। প্ৰকাশ হোৱাৰ পিছতে নাটকখন প্ৰায় ওঠৰটা ভাষালৈ অনুবাদিত হ'ল। চুডেন, চুইজাৰলেণ্ড, ফিনলেণ্ড, ইটালী, নৰৱে, ডেনমাৰ্ক, হলেণ্ড, স্পেইন, বেলজিয়াম, টুৰ্কী, যুগোচ্লিভিয়া, ব্ৰাজিল, মেক্সিকো, আৰ্জেনটিনা, পোলেণ্ড, জাপান, গ্ৰেট ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্টকে ধৰি বিশ্বৰ বিভিন্ন অঞ্চলত বেকেটৰ 'ৱেটিং ফৰ গুড্ ই অশ্বমেধ যাত্ৰা আৰম্ভ কৰিলে।

মৌলিক নাট্য ধাৰাত চেমুৱেল বেকেটৰ ভূমিকা অগ্ৰণীয়। তেওঁৰ অভিনৱ মৌলিক নাটক 'ৱেটিং ফৰ গুড্ ই সমসাময়িক নাট্য জগতত এক বিপ্লৱৰ সূচনা কৰিলে। নাটকৰ মহাকাব্যলৈ বিবেচিত হোৱা নাটকখনে নাটকক এক নতুন গতি প্ৰদান কৰিলে। বিশিষ্ট সমালোচক আৰু প্ৰথিতযশা লেখক মাৰ্টিন এচ্লিনৰ ১৯৬১ চনত প্ৰকাশিত গ্ৰন্থ "The Theatre of the Absurd" ত এই ন-নাটকীয় ধৰাটোক সুক্ষ্ম ভাবে অধ্যয়ন কৰা হ'ল। এচলিনে বিভিন্ন দেশৰ সম-সাময়িক নাট্যকাৰ কিছুমানৰ মাজত এক মৌলিক আৰু বিশেষ চৰিত্ৰ সমাহাৰ দেখিবলৈ পালে। এনেধৰণৰ নাট্যকাৰবোৰে এক বিশেষ দৃষ্টিভংগী, বিশেষ নাটকীয় শৈলী, বিশ্বাস আৰু বুদ্ধিদ্বিপ্ততা প্ৰয়োগ কৰিছে। বিভিন্ন নাট্যকাৰবোৰৰ এই অভিনৱ আৰু ব্যতিক্ৰমি প্ৰচেষ্টাক তেওঁ এটা নতুন নামকৰণৰে নাট্য সাহিত্যত সংযোজন কৰিলে। এয়াই হ'ল 'Absurd Drama' বা 'উদ্ভট নাটক'। ১৯৪২ চনত প্ৰকাশিত এলবাৰ্ট কে'মুৰ Myth of Sisyphus' নামৰ নাটখনৰ কিছুমান বিশেষ বৈশিষ্ট্যৰ লগত চেমুৱেল বেকেট গোষ্ঠী নাট্যকাৰবোৰৰ মাজত মাৰ্টিন এছলিনে কিছু মিল দেখা পায়। অস্তিত্ববাদ, নৈৰাশ্যবাদ আৰু

অনিশ্চয়তাবাদ আদিৰে পৰিপুষ্ট এলবাৰ্ট কেমুৰ 'Myth of Sisyphus' ত উপলব্ধ 'Absurd' শব্দটোৰে এই ব্যতিক্ৰমী নাট্যগোষ্ঠীক চিহ্নিত কৰা হ'ল।

'ৱেটিং ফৰ গুড্ নাটকখনৰ বাবে ১৯৬৯ চনত চেমুৱেল বেকেট নবেল বঁটাৰে সন্মানিত হ'ল। কুৰি শতিকাৰ নাট্য জগতত বা বিশ্ব সাহিত্যত বিশেষভাৱে চৰ্চিত আৰু বাণিজ্যিকভাৱে এক মঞ্চ সফল নাটক 'ৱেটিং ফৰ গুড্' ই এক বিশেষ সুকীয়া স্থান দখল কৰিলে। নাটকখনত নাট্যকাৰে প্ৰত্যক্ষ ভাবে কোনো কাহিনী বা বাৰ্তা প্ৰদান কৰা নাই। কাৰিকৰী দিশত নাটকখন পৰম্পৰাগত নাটকৰ বিপৰীত গঠনহীন। নাটকখনে এটা বৃত্তৰ গতিত গতি কৰিছে। নাটকখন য'ত আৰম্ভ হৈছে তাতেই শেষ হৈছে। পৰম্পৰাগত নাটকৰ বিপৰীতে নাটকখনত চৰিত্ৰৰ সংখ্যা তেনেই নগণ্য। চৰিত্ৰবোৰৰ মাজত কোনো বিশেষ উদ্দেশ্য আৰু চেতনা নাই। নাৰী চৰিত্ৰ বিহীন নাটকখনত চৰিত্ৰবোৰৰ মাজত আদান-প্ৰদান হোৱা সংলাপবোৰৰ কোনো যুক্তি যুক্ততা বা যৌগিকত সামঞ্জসতা নাই। সংযোগহীন সংলাপবোৰে বেবিৰিংবাং ভাবে এখন সংযোগহীন জগতত বাৰ্তাহীনতাৰ বাৰ্তা কঢ়িয়াইছে। চৰিত্ৰবোৰে উদ্দেশ্যহীন ভাবে মঞ্চত বিচৰণ কৰে। চৰিত্ৰবোৰ যেন একো একোটা পুতলা বা বস্তুৱা। সপোন আৰু দু-স্বপ্নত সিহঁতে সময়বোৰ অতিবাহিত কৰিছে। চৰিত্ৰবোৰৰ স্থান আৰু কালৰ ওপৰত কোনো ধাৰণা নাই। স্মৃতিশক্তি, পৰিৱেশ জ্ঞান বা চেতনা নাই বুলি ক'ব পাৰি। নাটকখনত মঞ্চ উপস্থাপন বুলি ক'লে পৰম্পৰাগত নাটকৰ বিপৰীতে তেনেই তাকৰীয়া বা নাই বুলি ক'ব পাৰি। এডাল পাত বিহীন 'উইলো' গছ ৰাস্তাৰ দাঁতিত থিয় হৈ মঞ্চ সজ্জা কৰিছে। বেকেটৰ পৰম্পৰাগত নাটকৰ বিপৰীতে এক সম্পূৰ্ণ ব্যতিক্ৰমী আৰু ওলোটা প্ৰয়াস। এক নতুন ধাৰা। বেকেটৰ অভিজ্ঞতাৰ এক বিৰল যাত্ৰা।

●●●

**মহৎ লোকৰ বাণী**

- "আনে কি কৰিছে, সেই কথা ভবাতকৈ নিজে কি কৰিছা। সেই কথা ভবাহে বেছি দৰকাৰ।" — ৰাজা ৰামমোহন ৰায়
- "যিজন ব্যক্তিয়ে জীৱনত এবাৰো ভুল কৰা নাই ইয়াৰ অৰ্থ হ'ল যে তেওঁ শিকিবলৈ কোনো চেষ্টা কৰা নাই।" — এৰিষ্টটল
- "অন্ধই যদি অন্ধক পথ দেখুৱায়, দুয়োজনে খালত পৰে।" — নিউ টেষ্টামেণ্ট

প্ৰবন্ধ

# অসমৰ সংস্কৃতিলৈ জাতি-জনজাতিসকলৰ অৱদান

অদিতি ৰয়
প্ৰাক্তন ছাত্ৰী

উত্তৰ-পূব ভাৰতৰ প্ৰাণকেন্দ্ৰ স্বৰূপ অসমৰ ভাষা-সংস্কৃতিৰ বিচিত্ৰতা সমগ্ৰ ভাৰততে সৰ্বজন বিদিত আৰু সমাদৃত। এনে বৈচিত্ৰ্যধৰ্মী অসমৰ ভাষা-সংস্কৃতিৰ সিংহভাগ অধিকাৰ কৰি থকা পাহাৰ-ভৈয়ামৰ ভিন্ন জনজাতি গোষ্ঠী বুলিলে সংবিধান স্বীকৃত অসমৰ প্ৰধানকৈ ২৫ টা বিভিন্ন প্ৰকাৰৰ জনজাতি গোষ্ঠীৰ কথাই আমাৰ মনলৈ আহে।

পাহাৰ-ভৈয়াম উভয়তে বসবাস কৰা জনজাতীয় লোকসকলে অসমক নিজৰ গৃহভূমি আৰু অধিকাংশ জনজাতীয় লোকে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম ৰূপে গ্ৰহণ কৰিলেও তেওঁলোকৰ স্বকীয় ভাষা-সংস্কৃতি, আৰ্থ-সামাজিক ব্যৱস্থা, ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান আৰু লোককলা শিল্পৰে অতিবাহিত কৰা জীৱন পৰিক্ৰমা অতিশয় বৈচিত্ৰ্যপূৰ্ণ।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অন্যতম প্ৰবক্তা বিষ্ণু ৰাভাদেৱে বিভিন্ন জাতি- জনজাতিসকলৰ সমন্বয়ৰ মাজেৰে গঢ়ি উঠা অসমীয়া জাতি সম্পৰ্কত এনেদৰে মন্তব্য কৰিছে— “মিকিৰ, মিচিং, কছাৰী, মেচ, খাচী, নগা, লালুং, গাৰো, ৰাভা, বড়ো, আহোম, টাই, মৰাণ, কোচ, খামটি ইত্যাদি এইসকলো অসমবাসীক লৈয়েই অসমীয়া জাতি। (বিঃ ৰাঃ ৰ সম্ভাৰ ঃ ১ম খণ্ড, পৃঃ ১৯০) বিষ্ণু ৰাভাই তেখেতৰ কবিতাত আনকি জনজাতিসকলক ‘অসমৰ আদিম আদাম’ ৰূপে উল্লেখ কৰিছে আৰু অসমীয়া জাতিৰ বিধাতা বুলি অভিহিত কৰিছে।

“ট্ৰাইবেল আদিমৰ! অসমৰ পিতা
অসমীয়া জাতিৰ বিধাতা।”

*(বিঃ ৰাঃ ৰ সম্ভাৰ ঃ ১ম খণ্ড, পৃঃ ১৯০)*

বিশিষ্ট লোক সংস্কৃতিবিদ ড° প্ৰফুল্লদত্ত গোস্বামীদেও তেখেতৰ ‘অসমীয়া সংস্কৃতি (১৯৭৯ ইং ঃ পৃঃ ১৬১-১৬৭) নামৰ প্ৰবন্ধত অসমীয়া জাতি গঠনত বিভিন্ন জনজাতিৰ অৱদানৰ বিষয়ে স্পষ্টভাৱে উল্লেখ কৰিছে।

অসমৰ সংস্কৃতিলৈ জাতি-জনজাতিসকলৰ অৱদান ঃ

**অসমীয়া ভাষা ঃ**

অসমীয়া ভাষা মূলতে ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভৱ হোৱা। খ্ৰীষ্টীয় প্ৰথম শতিকামানৰ পৰাই অসমলৈ আৰ্যগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন হয় বুলি অনুমান কৰা হয়। আৰ্যগোষ্ঠীৰ প্ৰব্ৰজনৰ লগে লগে আৰ্য্য ভাষাও অসমত প্ৰৱেশ কৰে। তাৰ আগতে অসমত বড়ো, চুতীয়া, খাচী, কাৰ্বি, মিচিং আদি আদিম জনজাতিৰ কথিত ভাষাহে প্ৰচলিত আছিল। কথিত ভাষাই লিখিত সাহিত্যিক ভাষাৰ লগত সমানে ফেৰ মাৰিব নোৱাৰিলেও বহুদিন আৰ্য ভাষা-ভাষী আৰু জনজাতীয় ভাষা-ভাষীৰ সহাৱস্থানৰ ফলস্বৰূপে অসমৰ অসমীয়া ভাষাৰ ওপৰত জনজাতীয় ভাষাৰ প্ৰভাৱ পৰিবলৈ ধৰে। ড° বাণীকান্ত কাকতিয়ে তেখেতৰ “Assamese, Its Formation and Development” নামৰ গৱেষণা গ্ৰন্থখনত এই প্ৰভাৱৰ কথা

উদাহৰণেৰে সৈতে দেখুৱাইছে। ধ্বনিগত, ৰূপগত আৰু শব্দভাণ্ডাৰ এই তিনিওটা দিশতেই অসমীয়া ভাষাৰ ওপৰত জনজাতীয় ভাষাৰ প্ৰভাৱ পৰিছে।

**উৎসৱ ঃ**

অসমৰ বিহু উৎসৱ বিভিন্ন জনজাতিৰ সংস্কৃতিৰ সংমিশ্ৰণৰ ফল বুলিব পাৰি। তিব্বত ধৰ্মীয় বা মঙ্গোলীয়া সংস্কৃতিক "বাঁহ সংস্কৃতি" বুলি আখ্যা দিয়াৰ কাৰণ হ'ল তেওঁলোকৰ মাজত বাঁহ, বেত, কাঠ আদিৰ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ, জনজাতিসকলে ব্যৱহাৰ কৰা টকা, পেঁপা, গগণা, বাঁহী, ঢোল ইত্যাদিয়েই বিহুত সংযোজিত হ'ল। কৃষি উৎপাদন আৰু প্ৰজনন শক্তিৰ লগত জড়িত বহুতো জনজাতীয় উৎসৱ আছে। বিহুৰ লগত এই জনজাতীয় উৎসবোৰৰ সাদৃশ্যও মনকৰিবলগীয়া। বিহুত গা ধোৱা কাৰ্য মূলতে বৈদিক সংস্কৃতিৰ প্ৰভাৱ যেন লাগিলেও প্ৰকৃততে সেয়া কৃষিজীৱী লোকৰ আচাৰহে। বিহুৰ বিহুৱান, ভোজন-পান, ঘৰুৱা মদ, তামোল-পাণৰ ব্যৱহাৰ তিব্বত ধৰ্মীয় সংস্কৃতিৰ অৱদান।

**খাদ্য ঃ**

অসমত বসবাস কৰা সকলো জনজাতিয়েই আমিষভোজী। ভাৰতৰ অন্যান্য ঠাইত উচ্চ বৰ্ণৰ হিন্দুৱে মাছ, মাংস নাখায়, কিন্তু অসমৰ সকলো শ্ৰেণীৰ আৰু ধৰ্মৰ লোকেই মাছ, মাংস খায়। 'প্ৰাণী হিংসা মহাপাপ' এই আদৰ্শৰে আন ঠাইৰ বৌদ্ধ ধৰ্মৰ লোকে মাছ, মাংস ব্যৱহাৰ নকৰে, কিন্তু অসমৰ খামতি, চিংফৌ, শ্যাম আদি বৌদ্ধধৰ্মী লোকসকলে আনে মাৰি আনি দিয়া মাছ মাংস খায়। খৰিচা, শুকতি মাছ, বাঁহৰ গাজ, পচলা, মদ আদি জনজাতীয় লোকৰ প্ৰধান খাদ্য। ইয়াৰ উপৰি তামোল পাণৰ ব্যৱহাৰো জনজাতীয় লোকসকলৰ মাজত দেখা যায়।

**সমাজ ঃ**

অসমীয়া সমাজত প্ৰচলিত বহু প্ৰথা জনজাতীয় সংস্কৃতিৰ পৰা অহা। প্ৰাচীন হিন্দু সমাজত বিধৱা বিবাহৰ প্ৰচলন নাছিল। কিন্তু জনজাতীয় সমাজত বিধৱা বিবাহৰ প্ৰচলন আছে। মাতৃ প্ৰধান জাতি খাচী আৰু গাৰো আৰু বড়োৰ ঢোকা ৰখা পদ্ধতিৰ পৰা উচ্চ হিন্দু সমাজতো ঢোকা আৰু ধেমনী প্ৰথাৰ ব্যৱহাৰ দেখা যায়। বিবাহ যোগ্য কন্যাক পলুৱাই নি বিয়া কৰোৱাটো জনজাতীয় সমাজৰ এটা স্বীকৃত নিয়ম। হিন্দু সমাজত ইয়াক গন্ধৰ্ব, অসুৰ, ৰাক্ষস নাইবা বিশাচ শ্ৰেণীৰ বুলি স্বীকৃতি দিছে। বিয়াৰ সময়ত দৰাই কইনাক ঘৰলৈ তামোল পাণৰ ভাৰ নিয়া, ঢোকা প্ৰথা, বলপূৰ্বক ভাবে টানি লৈ গৈ বিয়া কৰোৱা প্ৰথা, দৰাই- কইনাক বাটত হেঙাৰ দি টকা-পইচা বা তামোল পাণৰ শৰাই লৈ আশীৰ্বাদ দিয়াৰ প্ৰথা এইবোৰ আৰ্য ভিন্ন জনজাতীয় সমাজৰ পৰা অহা।

জনজাতীয় সমাজত গাঁওবুঢ়াৰ ভূমিকা, ডেকাচাং আৰু গাভৰু চাং, সমূহীয়া ভাৱে চাঙত থকা ডেকা-গাভৰুসকলে ৰাইজৰ কাম কৰা নিয়ম এইবোৰ বৈষ্ণৱ যুগৰ, অসমীয়া সমাজত এইবোৰে যথেষ্ট প্ৰভাৱ পেলাইছিল। এনেবোৰ উপাদানৰ উপৰিও আন বহুতো উপাদানৰ প্ৰভাৱ দেখা যায়। অসমৰ চুকে-কোণে বহুতো জনজাতীয় লোকে অতীজৰে পৰাই বসবাস কৰি আহিছে। অকল বসবাস কৰাই নহয়, তেওঁলোকে নিজৰ স্বকীয় ৰীতি-নীতি, উৎসৱ- পাৰ্বণ, সাহিত্যৰাজি আদিৰো প্ৰকাশ কৰি আহিছে। বৰ্তমানে আধুনিতকাৰ পৰশ পাই উক্ত উপাদানবোৰ কিছু পৰিমাণে ম্লান পৰিছে যদিও কিছু কিছু সময়ত এইবোৰৰ পুনৰ ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা গৈছে। এইবোৰ উপাদনাৰ দ্বাৰাই অসমীয়া সাহিত্যৰ ভঁৰাল বৰ্তমানেও চহকী হৈ আছে।

●●●

● "মই এনেকুৱা এখন আলোচনী উলিয়াব খুজিছোঁ, যিখনৰ সম্পাদক আগতে মৰিব, আলোচনীখন নমৰে।"

-ভবেন্দ্ৰ নাথ শইকীয়া



# নৱ ভাৰতৰ ৰূপকাৰ এক অনন্য ব্যক্তিত্বৰ অধিকাৰী অটল বিহাৰী বাজপেয়ী

**মৌমিতা ৰয়**
স্নাতক পঞ্চম ষান্মাসিক

ভাৰতৰ স্বাধীনতা সংগ্ৰামী, প্ৰবীণ ৰাজনীতিবিদ, দক্ষ সাংসদ, সুবক্তা, কবি, সাংবাদিক, ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম হৈছিল ১৯২৪ চনৰ ২৫ ডিচেম্বৰত মধ্য প্ৰদেশৰ গোৱালিয়ৰত। পিতৃ-মাতৃৰ নাম আছিল ক্ৰমে - কৃষ্ণ বিহাৰী বাজপেয়ী আৰু কৃষ্ণা বাজপেয়ী। স্কুলৰ শিক্ষকৰ পুত্ৰ বাজপেয়ীয়ে গোৱালিয়ৰ আৰু কানপুৰত শিক্ষা গ্ৰহণ কৰিছিল। ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বাজপেয়ীয়ে আইনৰ শিক্ষা লৈছিল যদিও ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদানৰ বাবে অইনৰ শিক্ষা সম্পূৰ্ণ নহ'ল।

ভাৰতীয় ৰাজনীতিৰ সুউচ্চ স্তম্ভ স্বৰূপ অটল বিহাৰী বাজপেয়ীৰ দেহাৱসানৰ লগে লগে নিষ্ঠা, সততা মূল্যবোধৰ ৰাজনীতিৰ এক আকৰ্ষণীয় অধ্যায়ৰ আক্ষৰিক অৰ্থতে অৱসান ঘটিল। কেৱল ৰাজনীতিক বুলি আখ্যায়িত কৰিলে তেওঁৰ সমুচিত মূল্যায়ন নহ'ব, বাজপেয়ী আচলতে এক পৰিৱৰ্তনকামী ৰাজনৈতিক সংগ্ৰামৰ অন্য নাম। সেই সংগ্ৰামৰ লক্ষ্য আছিল স্পষ্ট, কিন্তু পথ আছিল অতি কণ্টকাকীৰ্ণ। অতি কণ্টকপূৰ্ণ পথেৰে আগবঢ়োৱা দৃঢ় আপোচহীন পদক্ষেপে সেই ধাৰাটোক নিৰ্দিষ্ট লক্ষ্যলৈ আগবঢ়াই নিয়াত লাভ কৰা অভাৱনীয় সাফল্যই অটল বিহাৰী বাজপেয়ী নামৰ ব্যক্তিত্বক কৰি তুলিলে ভাৰতীয় ৰাজনীতিৰ অতুলনীয় চৰিত্ৰ, এক অনন্য বটবৃক্ষ। বাজপেয়ীৰ সংগ্ৰাম আছিল স্বৰাজোত্তৰ ভাৰতৰ কংগ্ৰেছ নেতৃত্বাধীন ৰাজনৈতিক ব্যৱস্থাটোৰ বিৰুদ্ধে। ১৯৩৯ চনতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সদস্যভুক্ত হৈ আৰ্য সমাজৰ যুৱ গোটৰ মাধ্যমেৰে এগৰাকী ৰাজনৈতিক কৰ্মীৰ ৰূপত আত্ম প্ৰকাশ কৰা বাজপেয়ী ২০০৯ চনলৈকে চাৰিটা দশক কাল ভাৰতীয় সংসদৰ সদস্য হৈ আছিল। এই সময়ছোৱাত এগৰাকী প্ৰধান মন্ত্ৰী ৰূপে, এগৰাকী বৈদেশিক মন্ত্ৰী ৰূপে, সৰ্বোপৰি এগৰাকী সুবক্তা সাংসদৰূপে প্ৰদৰ্শন কৰা দক্ষতাই বাজপেয়ীক দল-মত নিৰ্বিশেষে ভাৰতীয় জনতাৰ হৃদয়ত স্থান দিছিল। হিন্দুত্ববাদী ধাৰাৰ ৰাজনীতিৰ আজীৱন প্ৰবীণ প্ৰবক্তা হোৱা সত্বেও জনসাধাৰণে বাজপেয়ীক বিশ্বাস কৰিছিল আৰু তেওঁৰ নেতৃত্বতহে দেশ নিৰাপদ হৈ থাকিব বুলি সাধাৰণ মানুহৰ ধাৰণা বদ্ধমূল হৈছিল। ধৰ্মৰ নামত দেশ বিভাজনৰ পিছত সৃষ্টি হোৱা খণ্ডিত ভাৰতৰ কংগ্ৰেছ নেতৃত্বৰ তোষণমূলক তথাকথিত ধৰ্ম নিৰপেক্ষ নীতিক বিৰোধিতা কৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সাংস্কৃতিক জাতীয়তাবাদৰ আদৰ্শক প্ৰতিষ্ঠাৰ বাবে ছাত্ৰাৱস্থাৰ পৰাই আত্মনিয়োগ কৰিছিল বাজপেয়ীয়ে। মহাত্মা গান্ধীৰ হত্যাকাণ্ডৰ পৰিপ্ৰেক্ষিতত ১৯৪৮ চনত আৰ এছ এছ নিষিদ্ধ

ঘোষিত হোৱাৰ পিছত শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু দীনদয়াল উপাধ্যায়ৰ নেতৃত্বত গঠন হোৱা সংঘ পৰিয়ালৰ ৰাজনৈতিক শাখা ভাৰতীয় জনসংঘৰ বাজপেয়ী আছিল সাধাৰণ সম্পাদক। ১৯৫৪ চনত শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে কাশ্মীৰত অনশন কৰোতে বাজপেয়ীও তেওঁৰ লগত আছিল। এই দুগৰাকী প্ৰতিষ্ঠাপকৰ বিয়োগৰ পিছত ১৯৬৮ চনৰ পৰা দলটোৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰা বাজপীয়েয়ে কেনেকৈ নানাজী দেশমুখ লালকৃষ্ণ আদৱানিৰ দৰে নেতাক লগত লৈ জনসংঘক আগবঢ়াই নিছিল; ১৯৫৭ চনত জৰুৰী অৱস্থাৰ বিৰুদ্ধে জয় প্ৰকাশ নাৰায়ণৰ সংগ্ৰামৰ অংশীদাৰ হৈ কংগ্ৰেছক দেশৰ ক্ষমতাৰ পৰা উৎখাত কৰাত অন্যতম কাণ্ডাৰীৰ ভূমিকা লৈছিল সেই ইতিহাস ভাৰতীয় ৰাজনীতিৰ অবিস্মৰণীয় অধ্যায়। যাৰ বাবে মোৰাৰজী দেশাইৰ নেতৃত্বত গঠিত জনতা পাৰ্টিৰ চৰকাৰত বাজপেয়ী অধিষ্ঠিত হৈছিল বিদেশ মন্ত্ৰীৰ পদত। দেশত বৰ্তমানৰ নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন চৰকাৰ বাজপেয়ীৰ বিচক্ষণতাপূৰ্ণ ৰাজনৈতিক যাত্ৰাৰ অন্য এক ঐতিহাসিক ফলাফল। ১৯৮২ চনৰ লোকসভা নিৰ্বাচনত মাত্ৰ দুখন আসন পোৱা বিজেপি ১৯৯৬ চনত প্ৰথমবাৰৰ বাবে দেশৰ ক্ষমতাত অধিষ্ঠিত হৈছিল বাজপেয়ী-আদৱানিৰ সংগ্ৰামৰ বাবে। সেইবাবে মাত্ৰ ১৩ দিন শাসনত থকিলেও ইতিমধ্যে দেশত বাজপেয়ী যুগ আৰম্ভ হৈ গৈছিল আৰু সেইবাবেই ১৯৯৮ চনত বাজপেয়ী চৰকাৰ পুনৰ প্ৰতিষ্ঠা হোৱাই নহয়, বহুকেইটা পৰস্পৰ বিৰোধী চৰিত্ৰৰ দলক একত্ৰিত কৰি এন ডি এ চৰকাৰক নেতৃত্ব দিয়া বাজপেয়ীয়ে ব্যতিক্ৰমি চিন্তা-কৰ্মৰে দেশ তথা বিশ্বক চমকিত কৰিবলৈ সক্ষম হৈছিল। আমেৰিকাক দেখুৱাই পোখৰাণৰ পাৰমাণৱিক বিস্ফোৰণ, ৰাষ্ট্ৰসংঘৰ মজিয়াত প্ৰথমবাৰৰ বাবে হিন্দীত ভাষণ বাজপেয়ীৰ ব্যতিক্ৰম ৰাজনীতিৰ চৰ্চিত অধ্যায়। অকল এয়াই নহয়, পৰস্পৰ বিৰোধী চৰিত্ৰৰ এখন বহুদলীয় চৰকাৰৰ নেতৃত্ব দিয়া সত্বেও বাজপেয়ীয়ে অৰ্থনীতিলৈ সুদূৰ প্ৰসাৰী পৰিৱৰ্তন আনি জি.ডি.পি ৮০% বৃদ্ধি, মুদ্ৰাস্ফীতি ৪% লৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছিল। ইষ্ট-ৱেষ্ট কৰিডৰৰ দৰে মহাচড়ক নিৰ্মাণ, প্ৰধান মন্ত্ৰী গ্ৰামীণ চড়কেৰে দেশৰ পথ যোগাযোগ ব্যৱস্থালৈ বৈপ্লৱিক পৰিৱৰ্তন বাজপেয়ী চৰকাৰৰে চমক। তদুপৰি 'ফিছকেল ৰেছপন্সিবিলিটি এক্ট' ৰ জৰিয়তে দেশৰ বিত্তীয় ঘাটি লক্ষণীয় ভাবে হ্ৰাস। দূৰ সংযোগ বিপ্লৱ, সৰ্বশিক্ষা অভিযান, লাহোৰ বাছ সেৱা, উত্তৰ-পূবৰ বাবে ডনাৰ মন্ত্ৰালয় গঠন, নৰসিংহ ৰাও চৰকাৰে আৰম্ভ কৰা উদাৰীকৰণ নীতিক নতুন মাত্ৰা প্ৰদান কৰি বাজপেয়ীয়ে দেশৰ সামাজিক ক্ষেত্ৰ তথা অৰ্থনীতিলৈ আনিছিল আমুল পৰিৱৰ্তন। ঐতিহাসিক অসম আন্দোলনেৰে সংযোগ তথা ৮৩ ৰ জ্বালাময় পৰিস্থিতিৰ মাজত অসমৰ প্ৰান্তে প্ৰান্তে কৰা ভ্ৰমণ বাজপেয়ীৰ পৰিক্ৰমাৰ অন্যতম উল্লেখযোগ্য দিশ।

মহিলা সবলীকৰণ আৰু সামাজিক সমতাৰ এগৰাকী অপ্ৰতিদ্বন্দ্বী বিজেতা, বাজপেয়ীয়ে এখন গতিশীল ভাৰত, এখন শক্তিশালী আৰু সমৃদ্ধিশালী ভাৰতক বিশ্বাস কৰে, যি দেশৰ সমৃদ্ধিত ইয়াৰ সঠিক স্থানক আশ্বস্ত কৰে। তেখেতে ৫০০০ বছৰীয়া ভাৰতীয় সভ্যতাৰ এটি অন্বেষণ কৰে, যে পৰৱৰ্তী ১০০০ বছৰৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ সদায়েই আধুনিক, নতুন, সদায়েই সক্ৰিয়।

ভাৰতৰ প্ৰতি থকা নিস্বাৰ্থ ত্যাগ আৰু অৰ্দ্ধ শতিকাতকৈও অধিক সময় সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে তেখেতক ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্ম বিভূষণ'ৰে সন্মানিত কৰা হয়। ১৯৯৪ চনত তেওঁ ভাৰতৰ 'শ্ৰেষ্ঠ সাংসদ' হিচাপে স্বীকৃতি লাভ কৰে। প্ৰশস্তি পত্ৰত এইদৰে লিখা আছে- "তেওঁৰ নাম যথাৰ্থ অটলজী এগৰাকী প্ৰসিদ্ধ ৰাষ্ট্ৰীয় নেতা, এগৰাকী বিদ্বান ৰাজনীতিবিদ, এগৰাকী নিস্বাৰ্থ সমাজকৰ্মী, শক্তিশালী বক্তা, কবি আৰু সাহিত্যিক, সাংবাদিকৰ উপৰি প্ৰকৃতাৰ্থত এগৰাকী বহুমুখী ব্যক্তিত্ব সম্পন্ন লোক। অটলজীয়ে জনতাৰ আশা আকাংক্ষাক অভিব্যক্ত কৰে তেখেতৰ সকলো কামেই সদায়েই ৰাষ্ট্ৰীয়বাদক প্ৰতিধ্বনিত কৰে।"

●●●

# অটল বিহাৰী বজপেয়ীৰ জীৱন পৰিক্ৰমা

| | |
|---|---|
| জন্ম | ঃ ২৫ ডিচেম্বৰ, ১৯২৪ চন, গোৱালিয়ৰ, মধ্যপ্ৰদেশ। |
| ১৯৩৯ চন | ঃ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘত যোগদান। |
| ১৯৪২ চন | ঃ স্বাধীনতা আন্দোলনকাৰী হিচাপে কাৰাগৰ বৰণ। |
| ১৯৫১ চন | ঃ ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক সদস্য। |
| ১৯৫৭ চন | ঃ দ্বিতীয় লোকসভাৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত। |
| ১৯৫৭-৭৭ চন | ঃ ভাৰতীয় জনসংঘৰ সংসদীয় দলৰ দলপতি। |
| ১৯৬২ চন | ঃ সাংসদ, ৰাজ্যসভা |
| ১৯৬৬-৭০ চন | ঃ সভাপতি, সৰ্বভাৰতীয় ষ্টেচন মাষ্টাৰ আৰু সহকাৰী ষ্টেচন মাষ্টাৰ সন্থা। |
| ১৯৬৬-৬৭ চন | ঃ Chairman,Committee for Government Assurances. |
| ১৯৬৭ চন | ঃ চতুৰ্থ লোকসভাৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত। |
| ১৯৬৭-৭০ চন | ঃ Chairman, Public Accounts Committee. |
| ১৯৬৮-৭৩ চন | ঃ ৰাষ্ট্ৰীয় সভাপতি, ভাৰতীয় জনসংঘ। |
| ১৯৬৮-৮৪ চন | ঃ সভাপতি, পণ্ডিত দীনদয়াল উপাধ্যায় স্মাৰক ন্যাস। |
| ১৯৭১ চন | ঃ পঞ্চম লোকসভাৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত। |
| ১৯৭৭ চন | ঃ ষষ্ঠ লোকসভাৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত। |
| ১৯৭৭-৭৯ চন | ঃ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, ভাৰত চৰকাৰ। |
| ১৯৮০-৮৬ চন | ঃ প্ৰতিষ্ঠাপক সভাপতি, ভাৰতীয় জনতা পাৰ্টি। |
| ১৯৮০ চন | ঃ পঞ্চম লোক সভালৈ সাংসদ হিচাপে নিৰ্বাচিত। |
| ১৯৮০-৮৪, ১৯৮৬ আৰু ১৯৯৩-৯৬ চন | ঃ বিজেপিৰ সংসদীয় দলপতি। |
| ১৯৮০ চন | ঃ ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত। |
| ১৯৯০-৯১ চন | ঃ Chairman, Committee on Petitions. |
| ১৯৯১-৯৬ চন | ঃ দশম লোকসভালৈ নিৰ্বাচিত। |
| ১৯৯১-৯৩ চন | ঃ Chairman, Public Accounts Committee |
| ১৯৯৩-৯৬ চন | ঃ Chairman, Committe ofn External Affair, Leaders of Oppositon, Lok Sabha. |
| ১৯৯৬ চন | ঃ একাদশ লোকসভালৈ নিৰ্বাচিত। |
| ১৬ মে', - ৩১মে', ১৯৯৬ চন | ঃ দশম প্ৰধানমন্ত্ৰী, ভাৰত চৰকাৰ আৰু অন্যান্য বিভিন্ন মন্ত্ৰণালয়ৰ দায়িত্ব। |
| ১৯৯৬-৯৭ চন | ঃ বিৰোধী দলপতি, লোকসভা |
| ১৯৯৭-৯৮ চন | ঃ অধ্যক্ষ, বিদেশ পৰিক্ৰমা কমিটী। |
| ১৯৯৮-৯৯ চন | ঃ দ্বাদশ লোকসভালৈ নিৰ্বাচিত। |

১৯৯৮-৯৯ চন : প্ৰধানমন্ত্ৰী, ভাৰত চৰকাৰ, বৈদেশিক মন্ত্ৰণালয় আৰু অন্যান্য বিভিন্ন মন্ত্ৰণালয়ৰ দায়িত্ব।

১৯৯৯ চন : ত্ৰয়োদশ লোকসভালৈ নিৰ্বাচিত।

১৩ অক্টোবৰ, ১৯৯৯ - ১৩মে', ২০০৪ চন : প্ৰধানমন্ত্ৰী, ভাৰত চৰকাৰ।

২০০৪ চন : চতুৰ্দশ লোকসভালৈ নিৰ্বাচিত হয়। সৰ্বমুঠ দহবাৰ লোকসভালৈ নিৰ্বাচিত বাজপেয়ী একমাত্ৰ ভাৰতীয় ৰাজনৈতিক নেতা।

- সাংবাদিক হিচাপে অটলজী :
- মহাকীয়া হিন্দী আলোচনী "ৰাষ্ট্ৰ ধৰ্ম" ৰ সম্পাদনা।
- সাপ্তাহিক হিন্দী আলোচনী "পাঞ্চজন্য" ৰ সম্পাদনা
- হিন্দী দৈকি কাকত 'স্বদেশ' আৰু 'বীৰ অৰ্জুন'ত সাংবাদিকতা।

**প্ৰকাশিত গ্ৰন্থ :**

- মেৰী সংসদীয় যাত্ৰা (হিন্দী : চাৰিটা খণ্ড)
- সংকল্প কাল
- শক্তি চে শান্তি
- Four Decads in Parliament (Speeches Three Volumes 1957-95)
- Lok Sabha Main Atalji (A collection of speeches)
- Mritya Ya Hatya
- অমৰ বলিদান
- কয়দী কবিৰাম কি কুন্দলীয়া (জৰুৰীকালীন সময়ত জেলত থকা কালছোৱাত লিখা কবিতা পুথি)
- New Dimension of Indian Foreign Policy (A collection of speeches delivered as Indian External Affair Minister 1977-79)
- The Assam Problem
- ক্যায়া খোয়া, ক্যায়া পায়া (হিন্দী কবিতা পুথি)
- জনসংঘ আৰু মুছলমান
- সংসদ মে তিন দশক (হিন্দী Speeches is Parliament 1957-1992, 3 Volumes)
- অমৰ আগ মে হে (কবিতা পুথি - ১৯৯৪)

**সন্মান**

- ১৯৯২ চনত পদ্ম বিভূষণ।
- ১৯৯৩ চনত কানপুৰ বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট উপাধি লাভ।
- ১৯৯৪ চনত বিচক্ষণ সাংসদ বঁটা।
- ১৯৯৪ চনত লোকমান্য তিলক পুৰস্কাৰ।
- ১৯৯৪ চনত পণ্ডিত গোবিন্দ বল্লভ পণ্ট পুৰস্কাৰ।
- ২০১৫ চনত ভাৰতৰ সৰ্বোচ্চ সন্মান 'ভাৰত ৰত্ন' হিচাপে স্বীকৃতি প্ৰদান।
- ২০১৫ চনত বাংলাদেশ মুক্তিযোদ্ধা সন্মান।

সংগ্ৰহ - মৌমিতা ৰয়
স্নাতক পঞ্চম ষান্মাসিক

●●●

প্ৰবন্ধ

# ৰাভাসকলৰ পৰম্পৰাগত সাজপাৰ আৰু পৰম্পৰাগত নৃত্য-গীত

ডেইজী দাস
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

অসমৰ এটি অন্যতম মঙ্গোলীয় জনগোষ্ঠী হ'ল ৰাভা জনগোষ্ঠী। বিশেষকৈ নামনি অসমৰ গোৱালপাৰা, কোকৰাঝাৰ, কাৰ্বিআংলং আদি অঞ্চলত এওঁলোক বসবাস কৰে। ৰাভাসকলৰ মাজত কেইবাটাও সম্প্ৰদায় আছে। যেনে- ৰংদানি, মাইতৰী, পাতি, কোচ, দাহৰি। এওঁলোকৰ মাজত কিন্তু কিছুমান স্বকীয় বৈশিষ্ট্য আছে। লোক-সংস্কৃতিৰ পিনৰ পৰাও এওলোক আনতকৈ সুকীয়া। তথাপিও সকলো জাতি-জনজাতিৰ সৈতে এওঁলোক ঐক্য সংহতি বজাই ৰাখি অসমত অতীজৰে পৰা বসবাস কৰি আছে।

**ৰাভাসকলৰ পৰম্পৰাগত সাজপাৰ ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীৰ মহিলাসকলৰ দৰে ৰাভা মহিলাসকলেও ঘৰতে, তাংচাৰত কাপোৰ প্ৰস্তুত কৰি লয়। অতীজতে ৰাভা মহিলাই কপাহ ধুনি সূতা কাটি কাপোৰ বৈছিল। তেওঁলোকে নানা ৰং-বিৰঙী ফুল বচা সুন্দৰ সুন্দৰ সাজপাৰ ঘৰতে তৈয়াৰ কৰি লয়।

ৰাভা সমাজত পুৰুষসকলে কঁকালত পাজাৰ অৰ্থাৎ গাৰী দিয়া পৰম্পৰাগত বস্ত্ৰ পৰিধান কৰে। এই বস্ত্ৰখন পাছফালে পোন্ধ মাৰিব পৰাকৈ দীঘল। বিশেষকৈ বিভিন্ন ধৰ্মীয় কাম-কাজত যোৰগ দিওঁতে পাজাৰত এনেদৰে পোন্ধ মৰাটো বাধ্যতামূলক। পাজাৰ পৰিধান কৰি তেওঁলোকে ককাঁলত টঙালি বান্ধে। এই টঙালিখনক ৰাভা ভাষাক "ছেংকানন" বোলা হয়। গাত তেওঁলোকে পৰম্পৰাগত চোল 'বুকলিচ' পৰিধান কৰে। ডিঙিত তেওঁলোকে ফুলাম ৰঙীন গামোচা আঁৰি লয়। ৰাভা পুৰুষসকলে মূৰত পাগুৰি বান্ধিবৰ বাবে ব্যৱহাৰ কৰা ফুলাম বস্ত্ৰখনক 'ফাকচেক' বা 'মোপাং' বোলে।

ৰাভা মহিলাসকলে 'ৰৌফান', 'কাম্বুং' আৰু 'খদবাং' এই তিনি বস্ত্ৰ পৰিধান কৰে। লা ৰঙী সুতাৰে কাম্বুং প্ৰস্তুত কৰা হয়। এই বস্ত্ৰখন তিনি হাত দীঘল, তিনি হাত বহল মূৰৰ খোপা ঢাক খোৱাকৈ ৰাভা মহিলাসকলে খাবাং মাৰে। এই বস্ত্ৰখন সাধাৰণতে খয়েৰী শুভ্ৰ অথবা ক'লা ৰঙৰ সূতাৰে বৈ উলিওৱা হয়। ইয়াৰ উপৰিও ৰাভা মহিলাসকলে এবিধ ৰঙীন চাদৰ ব্যৱহাৰ কৰা দেখা যায়। এই বস্ত্ৰখনক ৰাভা ভাষাত 'আংচা' বোলে।

পৰম্পৰাগত বস্ত্ৰ সম্ভাৰৰ লগতে ৰাভা সমজাৰ মহিলা সকলে চাং চাংকা, বাক, ঢেপলা, কানপাচা, জাতি কৰায়া, টাছিখ'ম বাজু, হাৰমালা, চিতলপাতী আদি আ-অলংকাৰ পৰিধান কৰে।


**ৰাভাসকলৰ পৰম্পৰাগত নৃত্য-গীত ঃ**

নৃত্য-গীতৰ ক্ষেত্ৰত ৰাভাসকল যথেষ্ট চহকী। তেওঁলোকৰ মজাত ছাথাৰ, লেৰাটন, হাচং নৃত্য, হামজাৰ নৃত্য,

হানা ঘোঁৰা, বাৰকানাককায়, বহুবকায়, ক্ৰাংছিং বুঢ়ী নৃত্য, পাংবা নৃত্য, হৈমাৰু নৃত্য আদি কেইবাটাও লোক নৃত্যৰ প্ৰচলন থকা দেখা যায়। জেঠ মাহত ৰাভাসকলৰ প্ৰতিখন গাঁওতে বায়খ উৎসৱ পালন কৰা হয়। এই উৎসৱৰ লগত সংগতি ৰাখি বায়খ থানত খামৰ তালে তালে দেওধনী গৰাকীয়ে হাতত ঢাল-তৰোৱাল লৈ নৃত্য পৰিৱেশন কৰে। গাঁৱৰ সকলো লোক বায়খ থানৰ পৰা উভতি অহাৰ পাছত লেৱাটনা আৰু ছাথাৰ নৃত্য পৰিৱেশতি হয়। পূজাৰ পৰা উভতি অহা লোক আৰু গঞা ৰাইজৰ মাজত লেৱাবৌকায় অনুষ্ঠিত হয়। ইয়াৰ পিছত অনুষ্ঠিত হয় ডেকা-গাভৰুৰ বহু প্ৰত্যাশিত ছাথাৰ নৃত্য। ডেকা - গাভৰুসকলে খামৰ তালে তালে ছাথাৰ গীত গাই নৃত্য কৰি আনন্দত আত্মহাৰা হৈ পৰে।

অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ দৰে ৰাভা সকলৰ কৃষ্টিও কৃষিৰ লগত ওতপ্ৰোতভাবে জড়িত। অতীজতে তেওঁলোকে পাহাৰত ঝুম খেতি কৰি সৃষ্টিৰ পাতনি মেলিছিল। কৃষিৰ লগত জড়িত তেওঁলোকৰ এটি নৃত্য হ'ল হামজাৰ নৃত্য। কৃষিৰ বাবে সামূহিকভাৱে হাবি জুৰা, কোৰ মৰা, বীজ সিঁচা আদি কাৰ্যক পাতীকম্মকভাৱে এই নৃত্যত উপস্থাপন কৰা হয়।

●●●



## মহৎ লোকৰ বাণী

- "সুস্থ দেহত সুস্থ মনৰ বিকাশ কৰাটোৱে শিক্ষাৰ উদ্দেশ্য।" — এৰিষ্টটল
- "মানৱ অন্তৰত নিহিত হৈ থকা পূৰ্ণতাৰ বিকাশেই হ'ল শিক্ষা।" — স্বামী বিবেকানন্দ
- "শিক্ষাই ব্যক্তিৰ সুস্থ নৈতিক চৰিত্ৰ গঠন কৰে।" — শিক্ষাবিদ হৰ্বাট

প্ৰবন্ধ

# ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু বিকালী ৰাইজৰ অংশগ্ৰহণ

কপিল দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

১৭৫৭ চনৰ পৰা ১৯৪৭ চনৰ ১৫ জানুৱাৰীলৈ ইংৰাজৰ শাসন ছাগে আৰু দুনাই কোৱাৰ প্ৰয়োজন নাই। আৰু এই ইংৰাজৰ শাসন কালত প্ৰায় দুশ বছৰ কাল ইংৰাজৰ শাসনৰ প্ৰতি অতিষ্ঠ হৈ ভাৰতীয়সকলে সংগ্ৰাম আৰম্ভ কৰিছিল। এই সংগ্ৰামত বহুতো লোক শ্বহীদ হ'ল, বহুতেই চিৰদিনৰ বাবে ঘুণীয়া হৈ ৰ'ল। বহুতেই নিজৰ আত্মীয়-স্বজনক হেৰুৱালে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে দেশৰ হকে আত্মবলিদান দি যোৱা লোকসকলক আমি চিনি নাপাও বা চিনি পাবলৈ চেষ্টাও নকৰো। তাৰ এক উদাহৰণ হিচাপে আমাৰ অসমীয়া ফুলকুঁমলীয়া গাভৰু কনকলতা বৰুৱালৈ আঙুলিয়াব পাৰো যিয়ে ১৪ বছৰ বয়সতে সমগ্ৰ জীৱন বৰ্জন কৰি দেশৰ বাবে নিজকে বলিদান দিলে। কিন্তু তাইৰ পৰিচয় কেৱল অসমৰ ভিতৰতে সীমাবদ্ধ। অসমৰ বাহিৰে হয়তো আন কতো কনকলতাক চিনি নাপায়। এইদৰে হয়তো দেশৰ প্ৰান্তে প্ৰান্তে আমি নজনাকৈয়ে বহুতো লোক আছে।

আমাৰ এই বিকালী অঞ্চলটোও ইয়াৰ ব্যতিক্ৰম নহয়। আমাৰ বিকালী অঞ্চলটোত আমি নজনা বহুতো স্বাধীনতা সংগ্ৰামী লোক আছে। কিন্তু আমি নতুন প্ৰজন্মই এই ত্যাগী ব্যক্তিসকলৰ কথা একেবাৰে নাজানো। আমাৰ এই অঞ্চলৰ এই ত্যাগী লোকসকল ক্ৰমে - প্ৰবীণ মুক্তিযোদ্ধা - গংগাচৰণ পাটগিৰী, উপেন্দ্ৰ নাৰায়ণ শৰণীয়া, পানী ৰাম ৰাজবংশীৰ পিছতে নীলো মোহন সৰকাৰ, সদানন্দ ৰায়, অভয়াচৰণ পাটগিৰী, মহেশ্বৰ ৰায় সৰকাৰ, ৰামানন্দ ৰায় সৰকাৰ। এওঁলোক ৪২ ৰ আগৰে পৰাই ভাৰতৰ স্বাধীনতাৰ হকে কাম কৰি আহিছিল। এখেতসকলৰ উপৰি অনন্ত কুমাৰ ৰায়ে মৃত্যুৰ আগমুহূৰ্তলৈকে স্বাধীনতাৰ লগত জড়িত আছিল আৰু প্ৰতাপ ৰাজবংশীৰ পত্নী পদ্মাৱতী, গান্ধীবাদী ভাৰত চন্দ্ৰ ৰায় আদি লোক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত জড়িত আছিল।

বিকালী ৰাইজৰ স্বাধীনতা সম্পৰ্কে ক'বলৈ গ'লে প্ৰথমে ক'ব লাগিব গংগাচৰণ পাটগিৰীৰ নাম। তেওঁৱেই আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিকালী ৰাইজৰ নায়ক। ব্ৰিটিছৰ চাকৰি কৰি থকা অৱস্থাতে তেখেতে কালৈকো কেৰেপ নকৰি সেই সময়তে কংগ্ৰেছৰ সক্ৰিয় সদস্য হৈ পৰে আৰু মনে মনে আন্দোলনতো ভাগ লয়। ১৯২০ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৩৫ তম্ অধিৱেশনত অসমৰ বহুতো কংগ্ৰেছ কৰ্মী উপস্থিত থাকে। এই অধিৱেশনত কংগ্ৰেছ দলে সমগ্ৰ দেশতে অসহযোগ আন্দোলন ঘোষণা কৰে। ইয়াৰ সঁহাৰি স্বৰূপেই অসমত আন্দোলনত নেতৃত্ব ল'বলৈ ১৯২১ চনৰ ৫ জুনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীও গঠন কৰে। দুধনৈৰ কংগ্ৰেছ কমিটীৰ বৈঠকত গংগাচৰণে গোপনীয়ভাৱে

উপস্থিত থাকি বিদেশী শক্তিৰ বিৰুদ্ধে বিষোদগাৰ কৰে। পাটগিৰীদেৱৰ এই কাৰ্যবোৰ ব্ৰিটিছ চৰকাৰে অসহনীয় হৈ উঠে আৰু সেয়ে তেওঁক ১৯৩২ চনত আটক কৰি জেল হাজোতত ছমাহৰ শাস্তি বিহে। পিছত তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ উপৰি পৈতৃক সম্পতিও বাজেয়াপ্ত কৰে। তেওঁৰ পৰিয়ালক যেন ভিক্ষাৰীৰ ৰূপত মেলি দিলে। তথাপিতো তেওঁ কিন্তু দেশ মাতৃৰ সেৱাতে বৰ্তি থাকিল। গোৱালপাৰাৰ খগেন্দ্ৰ নাথ আদি ত্যাগী পুৰুষৰ উদ্যোগত ১৯৩৭ চনত অসমৰ শান্তি বাহিনীৰ প্ৰথম গোপন অধিৱেশনৰো নেতৃত্ব দিয়ে গংগা চৰণ পাটগিৰীয়ে।

বিকালী অঞ্চলৰ আন এজন আগশাৰীৰ সংগ্ৰামী নেতাৰ নাম হ'ল উপেন্দ্ৰ নাৰায়ণ শৰণীয়া। তেওঁ ৪২ ৰ আন্দোলন চলি থকা অৱস্থাত কটন কলেজত পঢ়ি থকা অৱস্থাতে এই আন্দোলনত যোগদান কৰি গোৱালপাৰা জিলাৰ কংগ্ৰেছৰ নিৰ্দেশ মতে কাম কৰিবলৈ লয়। এই সময়তে ব্ৰিটিছৰ বিৰুদ্ধে ভাৰত ত্যাগ জৰদাৰ হৈ উঠে। ৪২ ৰ আন্দোলনত গান্ধীজী পুনৰ আগাথা পেলেচত বন্দী হৈ আছিল। ৰাষ্ট্ৰীয় কংগ্ৰেছে তেওঁৰ মুক্তিৰ দাবীত প্ৰদেশ কংগ্ৰেছ তথা জিলা কংগ্ৰেছৰ একোটা কৰ্মী সংখ্যা বান্ধি দিছিল। গোৱালপাৰা জিলাৰ ছজন কৰ্মীয়ে গান্ধী মুক্তি অভিযানত ভাগ লৈছিল। তেওঁলোক আছিল পৰমানন্দ সৰকাৰ (খুটাবাৰী), গজেন নাথ (কৃষ্ণাই ভেলাখামাৰ), উপেন্দ্ৰ নাৰায়ণ শৰণীয়া (ধূপধৰা শালপাৰা), উপেন্দ্ৰ নাথ, ভৰেন্দ্ৰ নাথ (আগিয়া), দুৰ্গা প্ৰসাদ ৰায় (দেওঁহাটী অভয়াপুৰী/বৰ্তমন বঙাইগাঁও)। এওঁলোক প্ৰায় এমাহ কাল বোম্বেৰ পুনা চেণ্ট্ৰেল জেলত বন্দী হৈ আছিল।

১৯৪২ চনত বিকালী মৌজাৰ অধিক সংখ্যক লোকেই আন্দোলনত অংশগ্ৰহণ কৰিছিল। সক্ৰিয় অংশগ্ৰহণ কৰা কিছুমান ব্যক্তিৰ নাম উল্লেখনীয়। কোঠাকুঠিৰ প্ৰবীন মুক্তি যোদ্ধা গংগাচৰণ পাটগিৰী। তেওঁৱেই মৌজাখনৰ নেতৃত্ব বহন কৰিছিল আৰু আন ব্যক্তিসকল আছিল শালপাৰাৰ পানীৰাম ৰাজবংশী, মিহিৰ চন্দ্ৰ ৰায়, উপেন্দ্ৰ নাৰায়ণ শৰণীয়া আৰু দণ্ডীৰাম দাস। খুটাবাৰীৰ মুক্তিযোদ্ধা পৰমানন্দ সৰকাৰ, পানীৰাম মেধী, চন্দ্ৰমোহন দাস। ধূপধৰাৰ মঃ খলিলুল ৰহমান, বলোৰাম সৰকাৰ, গোপাল চন্দ্ৰ পাটিগৰী। খেচেৰা পাৰা (বৰ্তমান জ্যোতিগাঁও) দীননাথ ৰাভা। মাদাঙৰ ভৰেন ৰাভা, আমবাৰীৰ- নীলকান্ত সৰকাৰ, যজ্ঞেশ্বৰ কলিতা, অনন্ত কুমাৰ ৰায়, প্ৰতাপ ৰাজবংশী, ভাৰত চন্দ্ৰ ৰায়, গদোৰাম পাটগিৰী, অভয়চৰণ সৰকাৰ, মেৰুল্ল্যাহ। খেকাপাৰাৰ - হৰিমোহন নাথ, দেহীৰাম চৌধুৰী, ভূৱন সৰকাৰ, বেণী মাধৱ চৌধুৰী আৰু দীঘলীৰ গোপাল চন্দ্ৰ হাজোৰাৰী আদি।

উক্ত ব্যক্তিসকলৰ ভিতৰত পানীৰাম ৰাজবংশীয়ে ৩২ চনৰ আইন অমান্যৰ বাবে ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৪২ ৰ আন্দোলনত ৬ মাহ কাৰাবাস খাটে। গংগাচৰণ পাটগিৰীয়ে ৩২ চনৰ আন্দোলনত ৬ মাহ আৰু ৪২ ৰ আন্দোলনতো কাৰাবাস খাটে। উপেন্দ্ৰ নাৰায়ণ শৰণীয়া আৰু পৰমানন্দ সৰকাৰে ৪২ চনৰ আন্দোলনত পুনা চেণ্ট্ৰেল জেলত ৩ মাহ কাল বন্দী হৈ থাকে। পানীৰাম মেধীয়ে ১৯৩০ চনত ৩ মাহ কাৰাদণ্ড ভোগ কৰিছিল আৰু চন্দ্ৰ মোহন দাসে ৪২ চনৰ আন্দোলনত কাৰাবাস ভোগ কৰিছিল।

●●●

**অভ্ৰান্ত বাণী**

- "হে শ্ৰমন সকল, কোনোবাই তোমালোকক কিবা কথা শিকাইছে তেনে কথাত বিশ্বাস নকৰিবা। পৰম্পৰাগতভাৱে কিবা এটা কথা চলি আহিছে কাৰণেই তেনে কথাত বিশ্বাস নকৰিবা। তুমি কিবা এটা কথা সত্য বুলি কল্পনা কৰিছা কাৰণেই তেনে কথাত বিশ্বাস নকৰিবা, প্ৰত্যেকটো কথাকে নিজে পৰীক্ষা আৰু বিশ্লেষণ কৰি চাবা তাৰ পিছত সেই কথা সত্য আৰু সকলোৰে কাৰণে মংগলজনক বুলি বুজি পালেহেতেনে কথাত বিশ্বাস কৰিবা।"

— গৌতম বুদ্ধ

# শিশুৰ ব্যক্তিত্ব বিকাশত চিত্ৰাংকণৰ ভূমিকা

কীৰ্তিনাথ ৰাভা
স্নাতক ষষ্ঠ ষান্মাসিক

শিশুৰ ব্যক্তিত্ব বিকাশত চিত্ৰাংকণৰ যথেষ্ট গুৰুত্ব দেখা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাৰে আৰু মৰগেন (Murray and Morgan) নামৰ দুজন মানসিক ৰোগৰ চিকিৎসকে ১৯৩৫ চনত হাৰ্ভাৰ্ড মনোবৈজ্ঞানিক নিদানত কাহিনী সংবোধন অভীক্ষা গঢ় দি তোলে। ইয়াত অভীক্ষাৰ্থীক অংকিত চিত্ৰ এখন এখনকৈ দেখুওৱা হয়। চিত্ৰবোৰ এনেদৰে অংকিত কৰা হয় যাতে সি ব্যক্তি মনৰ অৱদমিত আৱেগ-অনুভূতি, কামনা-বাসনা, ব্যৰ্থতা, শংকা, ঘৃণা আৰু সংঘাতমূলক উপাদানবোৰক চিনাক্ত কৰিব পাৰে।

ছবি সজা আৰু গল্প লিখা অভীক্ষা (Make a picture story test) এই অভীক্ষাত ব্যক্তিয়ে ছবি সজোৱা আৰু তাৰ পৰা গল্প লিখা এই দুবিধ ক্ৰিয়া সম্পাদন কৰিব লাগে। অভীক্ষাৰ্থীক ছবিৰ কিছুমান অংশ অংশকৈ কটা টুকুৰা প্ৰদান কৰা হয়। সেইবোৰ নিৰ্বাচন কৰি এখন কাৰ্ড ব'ৰ্ডত ছবি আকাৰেৰে তেওঁ সজাব লাগে। এই সজোৱা চিত্ৰৰ ওপৰত ভিত্তি কৰি তেওঁৰ মনলৈ অহা গল্প লিখিব লাগে। কাৰ্ড ব'ৰ্ডবোৰৰ প্ৰচ্ছদ পটবোৰ (Back drop) সচৰাচৰ পৰিচিত পৰিৱেশৰ পৰা লোৱা হয়। সেইবোৰ হৈছে- বেডৰুম, বাথৰুম, শ্ৰেণীকক্ষ, প্ৰাকৃতিক দৃশ্য, অৰণ্য আৰু ৰাজপথ আদি। ইয়াৰ অন্তৰ্নিহিত ধাৰণা এয়ে যে ব্যক্তিয়ে তেওঁৰ দৈনন্দিন জীৱনৰ পৰিচিত পৰিৱেশ আৰু পৰিস্থিতিত লাভ কৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ছবিৰ পটভূমিক সজাই তোলে আৰু গল্প ৰচনা কৰে। সেইবাবে ব্যক্তিগত জীৱনৰ বাস্তৱ পৰিস্থিতিত ব্যক্তিয়ে কৰা সমাযোজন প্ৰক্ৰিয়া সম্বন্ধে এই অভীক্ষাৰ পৰা উঠিব পৰা যায়।

ব্যৰ্থতামূলক ছবি অভীক্ষা (Picture - frustration test) ৰচেনউইগে প্ৰস্তুত কৰা ব্যৰ্থতামূলক চিত্ৰৰ পৰিস্থিতি প্ৰক্ষিপ্ত অভীক্ষা ব্যৱস্থাৰ স্বৰূপো মন কৰিবলগীয়া। ইয়াত ২৪ খন ব্যংগচিত্ৰৰ প্ৰতিখনতে মানুহৰ দৈনন্দিন জীৱনৰ একোটা সংঘাতপূৰ্ণ বা ব্যৰ্থতামূলক পৰিস্থিতি অংকিত কৰা হৈছে আৰু দুজন ব্যক্তি বা দুই পক্ষক তাত জড়িত কৰি তোলা হৈছে। এনে পৰিস্থিতিত বাঞ্ছিত, লাঞ্ছিত বা অপদস্থ হোৱা লোকজনে কেনে প্ৰতিক্ৰিয়া কৰিব পাৰে তাক ছবিৰ লগতে প্ৰদান কৰা বন্ধনীৰ মাজত লিখিতভাৱে প্ৰদান কৰিব লাগে। এই অভীক্ষাৰ অন্তৰ্নিহিত ধাৰণা এয়ে যে ইয়াৰ ব্যৰ্থতামূলক পৰিস্থিতিৰ যোগেদি ব্যক্তিয়ে সচেতন বা অচেনতভাৱে নিজকে আত্ম প্ৰকাশ কৰি উঠে। সেইবাবে তেওঁৰ প্ৰতিক্ৰিয়া হৈছে নিজ মনৰ চিন্তা আৰু ক্ৰিয়াৰ প্ৰক্ষেপণ বা প্ৰতিফলন ব্যৱস্থা মাথোঁন। ইয়াৰ যোগেদি ব্যক্তি মনৰ সংঘাতমূলক পৰিস্থিতিত নিজকে কৰা সমাযোজন প্ৰক্ৰিয়া সম্বন্ধে বুজ ল'ব পৰা যায়।

**সমস্যাৰ চিনাক্তকৰণ ঃ**

শিশুৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত চিত্ৰাংকণৰ জৰিয়তে শিশুসকলৰ মানসিক বিকাশ সম্ভৱ হৈ উঠে। এই শিক্ষা বিশেষ ভাৱে সফল হ'ব পৰা নাই। বহুসংখ্যক ব্যক্তি বা অভিভাৱকসকলৰ মতে ইয়াৰ পৰা একো উপকাৰ নহয়। এই শিক্ষাক বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। প্ৰকল্প অধ্যয়নৰ বাবে অনভিজ্ঞ বা কল্পনা শক্তি কম থকা ব্যক্তিৰ পৰা নিৰীক্ষণৰ ফলাফল পাব নোৱাৰি।

**প্ৰকল্প অধ্যয়নৰ পূৰ্বাণুমানিক ধাৰণাঃ**

প্ৰস্তাৱিত প্ৰকল্পৰ বাবে তলত দিয়া পূৰ্বাণুমানিক ধাৰণা কেইটা ধৰি লেৱা হৈছে-

(ক) শিক্ষক-শিক্ষাৰ্থী উভয়ে চিত্ৰাংকণ শিক্ষাৰ সম্পৰ্কে সজাগ হয়।

(খ) বিদ্যালয়বোৰত চিত্ৰাংকণ শিক্ষাৰ বিশেষ গুৰুত্ব দিয়া দেখা নাযায়।

(গ) উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱত এই শিক্ষা পিছপৰি থকা দেখা যায়।

**অধ্যয়নৰ গুৰুত্ব ঃ**

শিশুৰ ব্যক্তিত্ব বিকাশত চিত্ৰাংকণৰ গুৰুত্ব সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

(ক) চিত্ৰাংকণৰ জৰিয়তে ব্যক্তি মনৰ অৱদমিত আৱেগ-অনুভূতি, কামান-বাসনা, শংকা, ঘৃণা আৰু সংঘাতমূলক উপাদানবোৰক চিনাক্ত কৰিব পাৰে।

(খ) ইয়াৰ জৰিয়তে শিশুসকলৰ কল্পনাৰ স্বৰূপ বুজ ল'ব পাৰি।

(গ) চিত্ৰাংকণৰ জৰিয়তে শিশুসকলৰ মনৰ ভাবনাসমূহ চিত্ৰৰ জৰিয়তে প্ৰকাশ হৈ উঠে আৰু তাৰ ফলত সিহঁতৰ মনৰ সৃজনশীলতা বৃদ্ধি কৰি তুলিব পাৰি।

(ঘ) চিত্ৰৰ যোগেদি শিশুৱে স্বাভাৱিক আৰু স্বতঃস্ফূৰ্তভাৱে নিজ মনৰ ভাব-অনুভূতিক প্ৰকাশ কৰি তুলিব পাৰে।

(ঙ) চিত্ৰ অভীক্ষাই শিশুৰ মনত প্ৰাপ্তবয়স্ক জীৱনৰ সম্বন্ধে থকা অলীক কল্পনা, পিতৃ-মাতৃ আৰু বয়সস্থসকলৰ প্ৰতি থকা মনোভাব আদিক গল্প ৰচনাৰ যোগেদি ব্যক্ত কৰি তুলিব পাৰে।

**অধ্যয়নৰ উদ্দেশ ঃ**

(ক) ব্যক্তি মনৰ অৱদমিত আৱেগ-অনুভূতি, কামান, ব্যৰ্থতা, শংকা, ঘৃণা আৰু সংঘাতমূলক উপাদানবোৰক চিনাক্ত কৰা।

(খ) ব্যক্তিৰ কল্পনা স্বৰূপ অধ্যয়ন কৰা।

(গ) ব্যক্তি মনৰ চিন্তা আৰু ক্ৰিয়াৰ প্ৰক্ষেপণ বা প্ৰতিফলন ব্যৱস্থা মাথোন। ইয়াৰ যোগেদি ব্যক্তি মনৰ সংঘাতমূলক পৰিস্থিতিত নিজকে কৰা সমাযোজন প্ৰক্ৰিয়া সম্বন্ধে বুজ ল'ব পৰা যায়।

**অধ্যয়নৰ পদ্ধতি ঃ**

কেইজনমান শিশুৰ পৰা সমুখা-সমুখি হৈ প্ৰত্যক্ষভাৱে তেওঁৰ ব্যক্তিত্ব সম্বন্ধীয় ক্ৰিয়া আচৰণ নিৰীক্ষণ আৰু অধ্যয়ন কৰা হৈছে। ইয়াত চিত্ৰখনৰ লগত সম্বন্ধ থকা নিজ চকুৰে দেখা অভিজ্ঞতা অধিক বস্তুনিষ্ঠ আৰু নিৰ্ভৰযোগ্য হৈ উঠে। অৱশ্যে অনভিজ্ঞ আৰু ব্যক্তিত্বৰ সাধুতা গুণৰ অভাৱ হোৱা নিৰীক্ষকৰ পৰা তেনে ফল পাব পৰা নাযায়। ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰ চাই গল্প লিখা চিয়াঁহীৰ দাগ চাই আৰু উদ্দীপক শব্দ শুনি মনত প্ৰতিৰূপ গঠন কৰা, চিত্ৰ আঁকা, চিত্ৰ সজোৱা, চিত্ৰ নিৰ্বাচন কৰা, অসম্পূৰ্ণ বাক্য সম্পূৰ্ণ কৰা ইত্যাদি। এনেবোৰ উপাদানেৰে সিহঁতৰ মনত অপ্ৰকট হৈ ৰোৱা চিন্তা, মনোভাব, কামনা, ইচ্ছা- আগ্ৰহ, আৱেগ-অনুভূতি, আঘাত, সংঘৰ্ষ আদি কথাৰ বুজ ল'বলৈ চেষ্টা কৰা হৈছে।

**সা-সঁজুলি ঃ**

প্ৰকল্প তথ্য সংগ্ৰহৰ বাবে কলম, পেঞ্চিল, বহী, স্কে'ল, কেমেৰা, ৰং, ছবি আদিৰ প্ৰয়োজন হয়।

**অধ্যয়নৰ সীমাবদ্ধতা ঃ**

চিত্ৰাংকণৰ জৰিয়তে শিশুৰ ব্যক্তিত্ব বিকাশ লাভ কৰি উঠে যদিও ইয়াৰ দ্বাৰা শিশুৰ সৰ্বাংগীণ বিকাশ সম্ভৱ নহয়। চিত্ৰাংকণৰ জৰিয়তে শিশুৰ ব্যক্তিত্ব বিকাশ হয় যদিও স্কুল আৰু সমাজত তাৰ বিশেষ গুৰুত্ব থকা দেখা নাযায়। সকলো শিশুৰ ক্ষেত্ৰত চিত্ৰাংকণ বিষয়টো গ্ৰহণযোগ্য বিধৰ হৈ উঠিব নোৱাৰে। গতিকে ক'ব পাৰি যে সকলো বিকাশ চিত্ৰাংকণৰ জৰিয়তে সম্ভৱ হৈ নুঠে।

অবিহনে বৈ থকাৰ সম্ভৱ নহয় সেইদৰে জাতি-জনজাতি অবিহনে লোক-সংস্কৃতিৰো একো মূল্য নাই বা উন্নতি সম্ভৱ নহয়। গতিকে বিভিন্ন জাতি জনজাতিয়ে মিলি এখন সুন্দৰ অসমীয়া লোক-সংস্কৃতি সৃষ্টি কৰাত সহায় কৰি আহিছে।

**ৰাভাসকলৰ খাদ্য সম্ভাৰ ঃ**

ৰাভাসকল সাধাৰণতে কৃষিজীৱী। এওঁলোকৰ প্ৰধান খাদ্য ভাত। ৰাভাসকল অন্যান্য শাক-পাচলিৰ লগতে মাছ-মাংস আদিও খায়। ৰাভাসকলে ঘৰুৱা শাক-পাচলি যেনে— কবি, মূলা, লাই, আলু, বেঙেনা, উৰহী, জিকা, ভোল, লাউ, কোমোৰা আদিৰ উপৰি বিভিন্ন ধৰণৰ বনৰীয়া শাক-পাচলি মুখৰ অভিৰুচি মতে নানা ধৰণে ৰান্ধি খায়।

সাধাৰণতে ৰাভাসকলৰ প্ৰিয় খাদ্য হ'ল খাৰ আৰু টেঙা। ৰাভা লোকসকলে ঘৰতে কলৰ গছ আৰু কল গছৰ আলুৰ পৰা খাৰ তৈয়াৰ কৰি লয়। বৰ্তমান সময়ত এই খাৰৰ জনপ্ৰিয়তা বিভিন্ন জাতিৰ মাজতো বাঢ়ি যাবলৈ ধৰিছে। ৰাভাসকলে সাধাৰণতে তেল, মচলা খাবলৈ বেছি ভাল নাপায়। সেয়ে তেওঁলোকে বহু খাদ্য বস্তু পুৰি সিজাই, খাৰ টেঙা আৰু কিছুমান কেঁচাই খাই ভাল পায়। পঁইতা ভাতৰ লগত গৰৈ মাছৰ পোৰা পালে পথাৰত হালোৱাক একোকে নালাগে। আনহাতে ৰাভাসকলে কিছুমান বস্তু কলপাতত ভালকৈ মেৰিয়াই লৈ জুইৰ অঙঠাত ঢাকি দি সেইবোৰ সিজিলে খায়। এই পদ্ধতিটোক সাধাৰণতে পাতত দিয়া বুলি কোৱা হয়। সাধাৰণতে ৰাভাসকল মাছ চিকাৰত পাকৈত। তেওঁলোকে খাল-বিল, নৈ, পিটনি আদিত মাছ মাৰি জুতি লগাই খায়। আৰু কিছুমান মাছ ৰ'দত বা জুইত শুকুৱাই শুকান মাছ হিচাপে খায় আৰু কিছুমান উৰালত আনুপাতিক হাৰে চানা কচুৰ কোমল ঠাৰিৰ লগত মিশ্ৰিত কৰি পদিনা, ব্ৰহ্ম মচলা সহ খুউব মিহিকৈ গুৰি কৰি এটা বাঁহৰ চুঙাত ভৰাই টানকৈ মুখ বান্ধি থয়। যথা সময়ত সেইবোৰ উলিয়াই কলৰ খাৰেৰে আওতি (সিজাই) খায়। সাধাৰণতে ইয়াক সিন্দল বুলি জনা যায়।

আগতে ৰাভাসকল মদৰ প্ৰতি বাৰ আকৰ্ষণ আছিল। পূজা-পাৰ্বণ আৰু সামাজিক অনুষ্ঠান আদিত মদ নহ'লে নহৈছিল। বিয়াৰ পিছত সন্তান জন্ম হোৱাৰ পৰা মতা মানুহ বিলাকে মদৰ ইন্দ্ৰ জালতে তন্ময় হৈ আছিল। ক্ৰমে জনসংখ্যা বাঢ়ি যোৱাত অৰ্থনৈতিক জটিলতাৰ চাকনৈয়াত পৰি বৰ্তমান ৰাভা সমাজৰ চেতনাবোধ হৈছে। বৰ্তমান ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত মদ খোৱা প্ৰথা প্ৰায় উঠি গৈছে।

ৰাভাসকলে সাধাৰণতে সময় অনুসৰি কিছুমান শাক-পাচলি খোৱা দেখিবলৈ পোৱা যায়। যেনে- ভাদ মাহত ওলকচু, ফাগুন মাহত পচলা, অমৰা ফুল ইত্যাদি। এইবোৰ সময় অনুসৰি খোৱাৰ কিছুমান বিশ্বাস জড়িত হৈ আছে।

পূৰ্বতে ৰাভাসকল গাখীৰ নাখাইছিল। এইটো এটা ৰাভাসকলৰ প্ৰধান বৈশিষ্ট্য আছিল। কিন্তু সময়ৰ সোঁতত এই বৈশিষ্ট্য নোহোৱা হৈ গ'ল। বৰ্তমান এই গাখীৰে এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ল। ৰাভাসকলে পূৰ্বতে কমল চাউল নাইবা চিৰা, পিঠা আদি খাইছিল আৰু এই চিৰা-পিঠা ঢেঁকীত গুৰি কৰি তৈয়াৰ কৰিছিল। কিন্তু বৰ্তমান মানুহে ঢেঁকী কি বস্তু চিনি নোপোৱা হৈ গ'ল। সময়ৰ সোঁতত এই চিৰা-পিঠাবোৰৰ ওপৰত স্থান লাভ কৰিলে কিছুমান বিদেশী সামগ্ৰী যেনে- বিস্কুট, চক্‌লেট, ৰসগোল্লা ইত্যাদিয়ে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ৰাভাসকলৰ খাদ্যৰ পৰিৱৰ্তনৰ গতিটো এক মনকৰিবলগীয়া বিষয়। বহুতো মানুহ গাঁৱৰ পৰা চহৰমুখী হ'ল আৰু থান, মান, জাতি, ধৰ্ম, মানুহৰ খাদ্য সম্ভাৰ গ্ৰহণ কৰিবলৈ ধৰিলে। তেল, মচলা জাতীয় সামগ্ৰীয়ে বিশেষ স্থান পালে আৰু বনৰীয়া শাক-পাচলিৰ পৰিৱৰ্তে আধুনিক খাদ্য সম্ভাৰে ঠাই ল'লে।

**বনৰীয়া শাক-পাচলি কিছুমানৰ চমু পৰিচয় ঃ**

লোক সংস্কৃতিৰ এটি প্ৰধান দিশ হ'ল খাদ্য। পৃথিৱীত বহুতো জাতি-ধৰ্ম, গোষ্ঠী আদিৰ লোকে বসবাস কৰি আছে। এই মানুহবোৰৰ খাদ্যৰ ধৰণ, প্ৰকাৰ আদিও বেলেগ বেলেগ। গতিকে লোক সংস্কৃতিৰ এটা প্ৰধান দিশ খাদ্য।

সংস্কৃতি পৰিৱৰ্তনশীল। গতিকে সময় বাগৰি যোৱাৰ লগে লগে অতীতৰ পৰা বৰ্তমানলৈ আৰু বৰ্তমানৰ পৰা ভৱিষ্যতলৈ সংস্কৃতিৰ পৰিৱৰ্তন চিৰ প্ৰৱাহমান গতিত বৈ থাকিব। গতিকে খাদ্যাভ্যাসো সলনি হৈ থাকিব। নতুন নতুন কিছুমান আহিব আৰু কিছুমান বা পুৰণিবোৰ পাহৰণিৰ গৰ্ভত লীন হৈ যাব বা বিলুপ্ত হৈ যাব। সাধাৰণতে খাদ্য বুলি ক'লে সমগ্ৰ খাদ্য সম্ভাৰৰ কথা মনলৈ আহে আৰু বনৰীয়া শাক-

পাচলিত ইয়াতে পৰিব।

অসমত বসবাস কৰা বিভিন্ন জাতি, জনজাতিবোৰৰ ভিতৰত ৰাভাসকলো নিজা এক কৃষ্টি সংস্কৃতি সম্পন্ন এটা প্ৰধান জনজাতি। এটা জনজাতি হোৱা বাবে লোক সংস্কৃতিত খাদ্য সম্ভাৰৰ দিশটোলৈ দৃষ্টি ৰাখি শাক-পাচলিৰ ক্ষেত্ৰত বনৰীয়া শাক-পাচলিৰ দিশটো উত্থাপন কৰিব পাৰি।

সাধাৰণতে অঞ্চল বা ঠাই বিশেষে পোৱা এনে কিছুমান বনৰীয়া শাক-পাচলি হ'ল — নাঙলভাঙা, আবু টেঙা, বাহেকা তিতা, মেজেঙা পাত, সুৰসুৰি টেঙা, ঢেঁকীয়া, গোন্ধ কচু, মেছকুৰি পাত, পাহাৰীয়া ওল কচু, মৰুৱা ওল কচু, চানা কচু, চামকা ঠাৰা, ক'লা কচু, কেচুঠুৰি, চেঁচা আলু, চিকনি আলু, মাছ আলু, নেফাফু, দোৰোণ, হেলচি তিতা, কলমৌ, থুনথুনী শাক, মাটি কাদুৰি (চৰেঠেং), হাঁহ পেটি, খতুৰা শাক (খুদুনা শাক), আমচিঙিৰি টেঙা (টেঙেচি টেঙা), বথুৱা, পানী পথুৱা, টকচি ফুল, বনৰীয়া কলৰ ফুল, গোমাৰি ফুল, নাৰাপাতা, লকলকতী শাক, ডমৰু পাত, গাংগা মূলা, অমৰা ফুল, কানধাপা টাটোৰা, বিভিন্ন ধৰণৰ কাটফুলা (লিসুম) ইত্যাদি বহুতো।

**বনৰীয়া শাক-পাচলি আৰু ইয়াৰ ঔষধি গুণ ঃ**

আন আন জনগোষ্ঠীৰ দৰে ৰাভাসকলৰো সুকীয়া খাদ্য প্ৰণালী আছে। ৰাভাসকলৰ মাছ-মাংস, বিভিন্ন শাক-পাচলি, পোক-পৰুৱা আদি প্ৰিয় খাদ্য হ'লেও নিজৰ শৰীৰটো নিৰোগী কৰি ৰাখিবলৈ বনৰীয়া শাক-পাচলি খায়। ৰাভাসকলে বাৰীৰ চুক, হাবি-বননি, বিল-খ'লৰ পৰা বনৰীয়া শাক-পাচলি বুটলি আনি নিজস্ব ৰন্ধন প্ৰণালীৰে ৰান্ধি খায়। এই বনৰীয়া শাক-পাচলিৰ ব্যৱহাৰ আৰু ইয়াৰ ঔষধি গুণ দাঙি ধৰা হ'ল ।

**নাঙল ভাঙা ঃ** ই এক প্ৰকাৰৰ বনৰীয়া মধ্যমীয়া গছ। ইয়াৰ পাতবোৰ আমপাতৰ দৰে দীঘল আৰু পাবোৰৰ কাষে কাষে কটা। পাতবোৰ খহটা, ফুল ফুলে। ৰাভাসকলে ইয়াক হাবিৰ পৰা কুমলীয়া পাত ছিঙি আনি কণীৰ লগত বা অকল পাত ভাজি খায়। ইয়াৰ পাত অলপ তিতা। বিশেষকৈ বহাগৰ গৰু বিহুৰ দিনা খোৱা সাত শাকৰ ভিতৰত ই প্ৰধান ঔষধি পাত। এই পাত দিলেহে যেন সাত শাকৰ সোৱাদ বাঢ়ে। বৰ্তমান পাহাৰৰ হাবি জংঘল কটাৰ ফলত এই বিধ শাক হেৰাই যাব ধৰিছে।

**আবু টেঙা ঃ** এইবিধ গছ ঘৰৰ বাৰী নাইবা পাহাৰৰ নামনি অঞ্চলত গজে। ইয়াৰ পাতবোৰ সৰু আৰু দীঘল। ইয়াৰ পাতবোৰ টেঙা। সাধাৰণতে ৰাভাসকলে এই পাত বিধ মাছৰ লগত ৰান্ধি খায়। ইয়াৰ সৰু সৰু কিছুমান ফল লাগে যিবোৰ চৰাই-চিৰিকটিৰ প্ৰিয় খাদ্য। ৰাভাসকলে বহাগৰ সাত বিহুৰ দিনা সাত শাকত ইয়াৰ পাত ছিঙি আনি খায়।

**নুনী পাত (মেছকৰী পাত) ঃ** এইবিধ সাধাৰণতে এবিধ জোপোহা গছ। ইয়াৰ কোমল পাতবোৰ সাধাৰণতে ৰাভাসকলে খাৰে দি ৰান্ধি খায়। ৰাভাসকলে জণ্ডিচ হ'লে ইয়াৰ পাত কেঁকোৰাৰ লগত ৰান্ধি খায়। ইয়াৰ সৰু সৰুকৈ ফল লাগে। ফলবোৰ পকিলে ক'লা ৰঙৰ হয় আৰু মিঠা হয়।

**বাহেকা তিতা ঃ** সাধাৰণতে পাহাৰ আৰু ঘৰৰ বাৰীত এই গছ হয়। পাতবোৰ দীঘল। ইয়াৰ দুটা জাত দেখা যায়। এবিধ ৰঙা আৰু আনবিধ বগা। সাধাৰণতে ইয়াৰ ফুলহে খোৱা হয়। ৰাভাসকলে ইয়াক কেঁচাই মাছৰ লগত পিঠালি ৰান্ধি খায়। ফুলবোৰ তিতা লাগে। কিছুমানে বহু দিনলৈ ৰাখিবলৈ ৰ'দত শুকুৱাই থৈ দিয়া হয়। বগা বিধক কিছুমানে বাৰীৰ হেঙাৰ হিচাপে ব্যৱহাৰ কৰে। ইয়াৰ অলপ তিতা কম। শিশু বা পুৰুষ মহিলাৰ কাঁহ হ'লে ইয়াৰ পাতৰ ৰস মৌৰ লগত খালে কাঁহ ভাল হয়। শিশুৱে সেউজীয়া শৌচ কৰিলে মাকে ইয়াৰ ৰঙা ফুল ভাজি খালে শিশুৰ শৌচ পুনৰ স্বাভাৱিক হয়।

**মেজেঙা পাত ঃ** এইবিধ গছ পাহাৰীয়া অঞ্চলত হয়। ৰাভাসকলে ইয়াক প্ৰিয় পাত শাক হিচাপে খায়। ইয়াৰ পাতৰ এটা সুন্দৰ গোন্ধ আছে। পাত আৰু ঠাৰিত কাঁইট থাকে। ৰান্ধিলে অলপ বীজলুৱা হয়। ৰাভাসকলে খাৰ বা সৰু মাছ আৰু বেঙেনাৰ লগত ৰান্ধি বৰ তৃপ্তিৰে খায়। শিশুৱে সেউজীয়াকৈ শৌচ কৰিলে ইয়াৰ পাত ৰান্ধি মাকক খুৱালে শিশুৰ এই বেমাৰ ভাল হয়। আনহাতে গৰুৰ চবকা বেমাৰ হ'লে (ঘাঁহ খাব নোৱাৰা আৰু খোজ কাঢ়িব নোৱাৰা) এই পাতবিধ খুৱালে ভাল হয়।

**মুৰমুৰি টেঙা ঃ** এইবিধ লতা জাতীয় গছ। সাধাৰণতে পাহাৰ আৰু বাঁহ গছত হয়। ইয়াৰ পাতবোৰ টেঙা। ৰাভাসকলে ইয়াৰ পাতবোৰ মাছৰ লগত জোল কৰি ৰান্ধি খায়। পাতবোৰ

মোহাৰি দিলে মুৰমুৰকৈ ভাঙি যায় কাৰণে ইয়াক ৰাভাসকলে মুৰমুৰি টেঙা বুলি কয়।

**টেঁকীয়া ঃ** টেঁকীয়া পাহাৰৰ নামনি অঞ্চল নাইবা নদীৰ পাৰত গজে। কিছুমান জেকা ঠাইতো হয়। অকল ৰাভাসকলৰে নহয় আন জনগোষ্ঠীৰেই প্ৰিয় শাক। টেঁকীয়াৰ বৈজ্ঞানিক নাম হ'ল Dryopterix । ঠাই বিশেষে ইয়াৰ ৰন্ধন প্ৰণালী বেলেগ বেলেগ। ইয়াৰ জাত দুটা এটা খোৱা টেঁকীয়া আৰু আনটো বিষ টেঁকীয়া। ইয়াৰ কোমল ঠাৰিহে খায়। ৰাভাসকলে ইয়াক কণীৰ লগত ভাজি খায়। ইয়াৰ ঔষধি গুণো আছে। ওজাই ইয়াৰ পতাৰে জৰা-ফুঁকাও কৰা দেখা যায়।

**গোন্ধ কচু ঃ** ই এক প্ৰকাৰৰ কচু জাতীয় গছ। ইয়াৰ পাতবোৰ অলপ ঘূৰণীয়া। পাত আৰু ঠাৰি সেউজীয়া ৰঙৰ। ইয়াৰ পাত আৰু ঠাৰি চিঙিলে ধুনীয়া গোন্ধ ওলায় বাবে ইয়াৰ নাম গোন্ধ কচু । ইয়াৰ ঠাৰিবোৰ পাহাৰৰ পৰা কাটি আনি শিঙী মাছৰ লগত জোল কৰি খায় নাইবা এনেয়ে ভাজি খায়। ৰাভা মহিলাসকলে প্ৰসূতিক শক্তি আৰু অধিক গাখীৰৰ কাৰণে শিঙী মাছৰ লগত ৰান্ধি দিয়ে।

**পাহাৰীয়া ওল কচু ঃ** এইবিধি কচু পাহাৰৰ নামনি অঞ্চলত নাইবা এঢলীয়া হাবিত হয়। কিছুমান বাৰীতো এই কচু গজা দেখা যায়। এই কচুৰ কোমল ঠাৰিহে খোৱা হয়। ইয়াৰ ফুল বৰ সোৱাদযুক্ত। ৰান্ধিব নাজানিলে খজুৱায়। ৰাভাসকলে টেঙা বা সিন্দল দি ইয়াক জুতি লগায় খায়।

**ঘৰুৱা ওল কচু ঃ** ঘৰুৱা ওল বিধ বাৰীত হয়। ইয়াৰ পাত আৰু ঠাৰি সেউজীয়া। সাধাৰণতে ইয়াৰ ঠাৰি নাখায়। ইয়াৰ আলুটোহে খায়। আমাৰ আবুয়ে (আইতা) এষাৰ কথা প্ৰায় কৈছিল 'ভাদৰত ওল, কাতিত চানা সেয়ে হ'ল ব্যাধিৰ কাল।' ৰাভা সমাজত আজিও পৰম্পৰাগতভাৱে চলি আহিছে যে ভাদৰ মাহত বাৰীৰ ওল কচু তুলি মাছৰ লগত ৰান্ধি খাব লাগে। ভাদৰ মাহত খালে শৰীৰৰ বিষ, এলাহ নোহোৱা হয়। ভালকৈ ৰান্ধিব নাজানিলে খুজুৱায়। ৰাভাসকলৰ ওল বৰ প্ৰিয়।

**চানা কচু ঃ** এইবিধ কচুৰ ভিতৰতে ডাঙৰ। ইয়াৰ ঠাৰিবোৰ বৰ ডাঙৰ। পাতবোৰ বৰ বহল। ইয়াৰ ঠাৰি আৰু আলু খায়। বৰ সোৱাদযুক্ত। কাতি মাহত এইবিধ কচু খালে শৰীৰ বিষ এলাহ নোহোৱা হয়। এই কচুৰ এটা প্ৰজাতি বৰ ভয়ানক আৰু ইয়াক নাখায়। আমাৰ ৰাভাসকলে ইয়াক বাৰা নোখোৱা কচু বা (গাহৰি নোখোৱা কচু) বলি কয়।

**চামফা ঠাৰ ঃ** এইবিধ কচুৰ ঠাৰিবোৰ সৰু। পাতবোৰ বহল। হাবি বননি আৰু বাৰীত গজে। ইয়াৰ ফুল ফুলিলে বৰ বেয়া গোন্ধ ওলায়। ৰাভাসকলে সাধাৰণতে ইয়াৰ ঠাৰি আৰু কোমল পাত ভাজি খায়। বৰ সোৱাদযুক্ত যদিও ওলপ খুজুৱায়। ইয়াৰ ঔষধি গুণো আছে। শৰীৰত তেজ কমিলে আৰু জণ্ডিচ ৰোগ হ'লে ইয়াৰ ঠাৰি ভাজি বা কেঁচাই পাটত বটি খালে এই বেমাৰ ভাল হয় আৰু তেজ পৰিষ্কাৰ হয়।

**ক'লা কচু ঃ** এই কচু ক'লা কাৰণে ইয়াক ক'লা কচু বুলি কোৱা হয়। ৰাভা মহিলাই সুন্দৰকৈ বাঢ়ি জলকীয়া, টেঙাপাত দিয়াৰ লগতে সৰু মাহ নাইবা সিন্দল দি খায়। পাতত দিয়া ক'লা কচু বৰ সোৱাদযুক্ত হয়। শৰীৰত কেলচিয়াম আৰু তেজ কমি গ'লে এই কচু খালে কেলচিয়ামৰ লগতে শৰীৰ তেজ বৃদ্ধি আৰু তেজ পৰিষ্কাৰ কৰে। শৰীৰত ফোঁহা হ'লে পকিবৰ কাৰণে ক'লা কচুৰ আঠা দিলে ফোহা সোনকালে পকে।

**কেচুঠুৰি ঃ** এইবিধ কচু জাতীয় গছ। সাধাৰণতে পাহাৰৰ নিজৰাৰ কাষত হয়। ইয়াৰ কোমল ঠাৰি ছিঙি আনি ৰাভাসকলে ৰান্ধি খায়। ঠাৰিবোৰত সৰু সৰু কঁইট থাকে।

**চেঁচা আলু ঃ** এইবিধ লতা জাতীয় আলু গছ। কিছুমানে ইয়াক বাৰীত খেতি কৰে। বিশেষকৈ চাপৰি আৰু হাবিত গজে। ইয়াৰ আলু বৰ চেঁচা কাৰণে ইয়াক চেঁচা আলু বুলি কয়। মাটিৰ তলৰ পৰা খান্দি আনি কেঁচাই খায় আৰু কিছুমানে সিজাই খায়।

**চিক্‌নি আলু ঃ** এইবিধ আলু লতা জাতীয় গছ। কিছুমানে ইয়াক বাৰীত খেতি কৰে। বৰ্তমান এই আলুবিধ লুপ্তপ্ৰায় নিচিনা হৈছে। ই ডালত লাগে। গছডাল মৰাৰ পিছত ছিঙি আনি সিজাই খালে বৰ সোৱাদযুক্ত হয়।

**মাছ আলু ঃ** এইবিধ আলু মাটিৰ তলত হয়। ওপৰলৈ ওলাই আহে। বৰ সোৱাদযুক্ত আৰু কোমল। ইয়াক ৰাভাসকলে আঘোণত তুলি 'নোৱাভাত' খোৱাত মাছ বা দাইলৰ লগত ৰান্ধি খায়। ৰাভা সমাজত নোৱাভাত খোৱা অনুষ্ঠানত এই আলু খোৱাটো পৰম্পৰা যদিও বৰ্তমান নোহোৱা হৈ গৈ আছে।

**মচলাম টেঙা ঃ** এইবিধ সাধাৰণতে বাৰিষা কালত হয়।

ৰাভাসকলে ইয়াক মাছৰ লগত টেঙা ৰান্ধি খায়।

**নেফাফু ঃ** নেফা বা অৰুণাচল প্ৰদেশত এই গছৰ জন্ম। নেফাৰ পৰা অহা কাৰণে ইয়াক নেফাফু বোলে। ইয়াৰ বৃদ্ধি বহুত। পাতবোৰ বহল। ফুল ফুলে। ই এবিধ ঔষধি গছ। পাতবোৰ খালে তিতা লাগে। উচ্চ ৰক্তচাপ বেমাৰৰ ই মহা ঔষধ। এই ৰোগত ইয়াৰ কুমলীয়া পাত ভাজি বা সিজাই খালে এই ৰোগৰ পৰা সোনকালে আৰোগ্য হয়।

**দোৰোণ ঃ** এইবিধ সৰু জোপোহা গছ। বিশেষকৈ বাৰী বা ৰাস্তাৰ কাষত গজে। ইয়াৰ পাতবোৰ সৰু সৰু আৰু দীঘল। ফুলবোৰ বগা। খালে অলপ তিতা লাগে। ৰাভাসকলে ইয়াৰ সৰু মাছৰ লগত পিঠালি খায়। কিছুমানে সিজাই আদা, নহৰু, জলকীয়া দি জুলি লগাই খায়। সাধাৰণতে চৰ্দি লাগিলে ইয়াৰ পাত খালে চৰ্দি ভাল হয়। নাকৰ পৰা তেজ ওলালে ইয়াৰ পাতৰ ৰস দিলে তেজ ওলোৱা বন্ধ হয়। আনহাতে ওজাই ইয়াৰ ফুল জৰা-ফুঁকাত ব্যৱহাৰ কৰে।

**হেলচি তিতা ঃ** এইবিধ শাক চেঁচুকীয়া দোং বা বিল-খাল আদিল পাৰত হোৱা দেখা যায়। শিপাৰ পৰা ইয়াৰ শ্ৰীবৃদ্ধি হয়। ইয়াৰ এটা সুন্দৰ গোন্ধ আছে। ই এক প্ৰকাৰ ঔষধি শাক। পেটৰ বহু বেমাৰৰ ই মহা ঔষধি। ইয়াক ভাজি বা কলপাতত দি খায়।

**থুনথুনী শাক ঃ** ই চেঁচুকীয়া ঠাইত হয়। সাধাৰণতে ৰাভাসকলে ইয়াক বিভিন্ন পাত শাকৰ লগত ইয়াক টেঙা ৰান্ধি খায়।

**কলমৌ ঃ** এইবিধ লতা জাতীয় শাক। সাধাৰণতে খাল, বিল আৰু দোঙাত হয়। ই বৰ কোমল। ইয়াৰ আগবোৰ ছিঙিলে এটা শব্দ হয়। বৰ সোৱাদযুক্ত শাক। ৰাভাসকলে ইয়াৰ আগবোৰ ছিঙি আনি মাছৰ লগত ভাজি খায় নাইবা এনেয়ে ভাজি খায়। ইয়াৰ ঔষধি গুণ আছে। গৰ্ভৱতী মহিলাক এইবিধ শাক ভাজি খুওৱা হয়। সন্তান জন্ম হোৱাৰ পিছত মাতৃ গৰাকীৰ গাখীৰ কম হ'লে ইয়াক খালে মাতৃৰ গাখীৰ বৃদ্ধি হয়।

**মাটি কাদুৰি (চৰেঠেং) ঃ** এইবিধ শাক বাৰিষা কালত হয়। পানী পালে খৰালি কালতো গজে। পাতবোৰ সৰু সৰু । ইয়াৰ কোমল আগবোৰ ছিঙি আনি ভাজি খোৱা হয়। ই বৰ ভিটামিনযুক্ত শাক।

**হাঁহপেটি ঃ** হাঁহপেটি সাধাৰণতে হাঁহৰ প্ৰিয় খাদ্য। এই হাঁহপেটি বাৰিষা কালত হয়। পানী পালে খৰালিতো গজে। ইয়াৰ ঠাৰিবোৰ কোমল। হালধীয়াকৈ ফুল ফুলে। অলপ বীজলুৱা। ৰাভাসকলে বিভিন্ন পাত শাকৰ লগত টেঙা ৰান্ধি খায়।

**সুতুৰা শাক (খুদুনা শাক) ঃ** এইবিধ শাক বাৰিষা খৰালি দুয়ো কালতে হয়। ইয়াৰ জাত কেইবাটাও আছে। ই বৰ সোৱাদযুক্ত শাক। প্ৰচুৰ কেলচিয়াম পোৱা যায়। পেটৰ অসুখৰ মহা ঔষধি শাক।

**কানধাপা ঃ** এই শাক বাৰিষা কালত হয়। ইয়াৰ পাত আৰু আগ ৰাভাসকলে মাছৰ লগত পিঠালি ৰান্ধি খায়।

**আমচিঙিৰি টেঙা (টেঙেচি টেঙা) ঃ** ই এবিধ সৰু জোপোহা গছ। চেঁচুকীয়া মাটিত গোটেই বছৰ জুৰি পোৱা যায় যদিও শীতকালি ইয়াৰ বৃদ্ধি হয়। আগলি অংশ সৰু মাছৰ লগত জোল কৰি খোৱা হয়। ইয়াৰ ঔষধি গুণো আছে। শিশুৰ শৌচ হ'লে বা আমোচা হ'লে ইয়াৰ পাত সিজাই খুৱালে শৌচ কৰা আৰু আমোচা ভাল হয়।

**ছাগলী মছলা ঃ** ই এবিধ মচলা জাতীয় গছ। ইয়াৰ পাত কিছুমানে মচলা হিচাপে ব্যৱহাৰ কৰে। কিছুসংখ্যক ৰাভা লোকে ছাগলী মাংসত ইয়াৰ পাত দিয়ে আৰু মাংসৰ আঞ্জাখন সোৱাদযুক্ত হয়।

**টাটোৱা ঃ** এবিধ লতা জাতীয় গছ। সাধাৰণতে বাৰিষা কালত হয়। হাবি বা বননি নাইবা বাৰীৰ আন গছত বগাই যায়। ফলবোৰ সৰু বেঙেনাৰ নিচিনা। পাতবোৰ খহটা। ফলবোৰ সেউজীয়া আৰু পকিলে উজ্জ্বল ৰঙা ৰঙৰ হয়। খালে তিতা লাগে। বেছি তেল দি ভাজি খালে বৰ সোৱাদযুক্ত হয়। ৰাভাসকলে ইয়াক খাৰ বা সিন্দল দি খায়। ইয়াক খালে বসন্ত ৰোগ নহয় বুলি আইতাই কৈছিল।

**বেলকুৰি তিতা ঃ** ই এবিধ সৰু জোপোহা গছ। গছজোপা কাইটেৰে ভৰা। ইয়াৰ সৰু সৰু সেউজীয়া ৰঙৰ ফল লাগে। খালে তিতা লাগে। ৰাভাসকলে ইয়াক ভাজি খায় নাইবা খাৰ বা সিন্দল দি খায়।

**অমৰা ফুল ঃ** অমৰা ফুল এক প্ৰকাৰৰ ঔষধি ফুল। ইয়াৰ ফুল খালে টেঙা লাগে। ৰাভাসকলে এই ফুল সৰু মাছৰ লগত

পিঠালি বা জোল ৰান্ধি খায়। ফুলবোৰৰ এটা সুন্দৰ গোন্ধ আছে। আমাৰ আইতাই ফাগুন মাহত এই ফুলৰ আঞ্জা খুৱাইছিল। কাৰণ ফাগুন মাহত এই ফুল খালে বসন্ত ৰোগ নহয়।

**গোমাৰি ফুল ঃ** গোমাৰি ফুল গোমাৰি গছৰ ফুল। এই ফুলবিধ হালধীয়া ৰঙৰ। সাধাৰণতে ফাগুন মাহ নাইবা চ'ত মাহত এই ফুলবিধ ফুলে। ৰাভাসকলে এই ফুল বিভিন্ন প্ৰকাৰে ৰান্ধি খায়। বিশেষকৈ সৰু মাছৰ লগত পিঠালি খায় আৰু কিছুমানে ভাজি খায়।

**উকচি ফুল ঃ** এইবিধ গছ সাধাৰণতে পাহাৰত পোৱা যায়। ইয়াৰ ফুলৰ ৰং ৰঙা আৰু খালে টেঙা লাগে। সাধাৰণতে ফাগুন -চ'ত মাহত এই ফুলবিধ ফুলে। ৰাভাসকলে এই ফুল মাছৰ লগত টেঙা ৰান্ধি খায়।

**ঘুমিলেয়া ফুল ঃ** ই এবিধ লতা জাতীয় গছ। ই কোনো গছ বনত নবগাই। মাটিতহে বগাই। সাধাৰণতে ইয়াৰ ফুলহে খোৱা হয়। আৰু এই ফুলৰ ৰং বগা। ৰাভাসকলে এই ফুল সৰু মাছৰ লগত পিঠালি ৰান্ধি খায়।

**লকলকতী শাক ঃ** এইবিধ শাক সেমেকা বা অলপ পানী থকা ঠাইত হয়। ৰাভাসকলে ইয়াক অন্য পাতশাকৰ লগত মিহলি কৰি খায়।

**মানিমুনি ঃ** মানিমুনি এবিধ মহা ঔষধি গছ। ইয়াৰ জাত দুবিধ। সৰু মানি মুনি আৰু বৰ মানিমুনি। সেমেকা মাটিত বেছিকৈ হয়। দুবিধৰ পাতে মাছৰ লগত জোল কৰি খোৱা হয়। পেটৰ অসুখৰ ই মহাঔষধি। ৰাতিপুৱা সদায় ইয়াৰ পাত খালে বহুত বেমাৰৰ পৰা ৰক্ষা পাব পাৰি।

**বিভিন্ন ধৰণৰ কাঠফুলা ঃ** ৰভাসকলে হাবি বা চাপৰি বা বাৰীত ওলোৱা কাঠফুলা সংগ্ৰহ কৰে আৰু ইয়াক জুতি লগাই খায়। জনজাতীয় লোকসকলেহে বনৰীয়া কাঠফুলাৰ সোৱাদ ল'ব জানে। ইয়াৰ বিভিন্ন প্ৰজাতিৰ আছে। ৰাভাসকলৰ প্ৰিয় কাঠফুলা হ'ল 'উলু লিমুম'। ই দেখাত সৰু আৰু বগা। বৰ সোৱাদ আৰু ভিটামিনযুক্ত। আন এক প্ৰকাৰ হ'ল খেৰৰ পুঞ্জি বা পচা ধানখেৰত ওলোৱা লিমুম। ই দেখাত বগা আৰু টান। হাবি বা বাৰীৰ ঢাপত ওলোৱা লিমুম হ'ল চৰে লিমুম। টান মাটিৰ পৰা ফুটি ওলায় আৰু এটা আঙুলিৰ নিচিনা হয়। মাটিৰ তলৰ পৰা খান্দি উলিয়াই ভাজ খায়। বনৰীয়া কাঠফুলা বৰ প্ৰ'টিনযুক্ত খাদ্য।

**বথুৱা ঃ** বথুৱা শাক দুই প্ৰকাৰৰ। এক প্ৰকাৰ পানীত গজে আৰু এক প্ৰকাৰ সেমেকা মাটিত গজে। পানীত গজা বিধি বৰ কোমল। সাধাৰণতে ৰাভাসকলে ইয়াক কণীৰ লগত ভাজি খায় নাইবা সৰু মাছৰ লগত পিঠালি খায়। আন বিধক বিভিন্ন পাত শাকলৰ লগত টেঙা ৰান্ধি খায়।

**নাৰাতিতা ঃ** ই এবিধ সাধাৰণতে জোপোহা গছ। নাকাটিলে বহু ডাঙৰ হয়। ৰাভাসকলে সাধাৰণতে ইয়াৰ কুঁমলীয়া পাত কণীৰ লগত ভাজি খায়। ইয়াৰ সৰু সৰু বেলকুৰীৰ দৰে ফলো লাগে। ইয়াৰ সোৱাদ তিতা।

**নাৰাপাতা ঃ** এইবিধ গছ মৰামাটৰ দৰে। সাধাৰণতে বাৰিষা কালত বাৰীত গজে। ৰাভাসকলে ইয়াৰ পাত খাৰ বা সিন্দল দি খায়। পাতবোৰ বীজলুৱা।

**আয়হাতী ঃ** এই গছবিধ অতি সেমেকা নাইবা কুৱাৰ পাৰত গজে। ইয়াৰ এটা সুন্দৰ গোন্ধ আছে । ইয়াৰ বগাকৈ ফুল ফুলে। শিপাৰ পৰা ইয়াৰ বৃদ্ধি হয়। ৰাভাসকলে ইয়াক শুকান মাছৰ লগত নাইবা কেঁকোৰাৰ লগত চাটনি কৰি খায়। ইয়াৰ প্ৰচলন শ্বিলঙত যথেষ্ট আছে। ঠাই বিশেষে ইয়াৰ নাম বেলেগ বেলেগ ।

**চিকুন পুতলা ঃ** এইবিধ সাধাৰণতে ডাঙৰ গছ। বহাগ মাহত ৰাভাসকলে ইয়াৰ কুমলীয়া পাত ছিঙি আনি বিশেষকৈ কণীৰ লগত ভাজি খায়।

**ৰাভাসকলৰ মাজত বনৰীয়া সাতশাক খোৱা নিয়ম আৰু লোকবিশ্বাস ঃ**

ৰাভা সমাজত পৰম্পৰাগতভাৱে এতিয়াও গৰু বিহুৰ দিনা সাত শাক খোৱা নিয়ম চলি আহিছে। সেইদিনা প্ৰত্যেকেই এই সাত শাক খায়। ৰাভা যুৱতীসকলে সেইদিনা ঘৰ-দুৱাৰ মচি-কাচি লগে ভাগে ওচৰৰ হাবি বা পাহাৰৰ পৰা সাতশাক বুটলি আনে। সাতশাক খোৱাৰ এটা নিয়ম আছে। প্ৰত্যেক শাকৰ ডাল বা পাত সাতখন হ'ব লাগে। সেইমতে যুৱতীসকলে সেইদিনা অন্য সময়তে নখোৱা গছৰ আগ বা পাত ছিঙি আনে। ৰাভাসকলৰ বিশ্বাস যে সেইদিনা গছ বা লতাৰ কুমলীয়া আগ বা পাত খালেও বিষ নালাগে আৰু এই সাতশাক মহা ঔষধি গুণ সম্পন্ন। ইয়াক খালে বিভিন্ন বেমাৰৰ পৰা হাত সাৰিব

পাৰে বুলি ৰাভাসকলৰ মাজত বিশ্বাস আছে। আৰু বৰ্তমানো ইয়াৰ প্ৰচলন আছে।

ৰাভা যুৱতীসকলে বুটলি অনা সাতশাক হ'ল - নঙলাভাঙা, ঢেঁকীয়া, দুধকবী, চিকুন পুতলাৰ আগ, ভালাগছৰ আগ, চেগুন গছৰ আগ, শাল গছৰ আগ আবুটেঙা, বাহেকাৰ আগ, কচু, কেচঠুৰি, পাহাৰীয়া ওল, খুদুনা, ফুটুকি, মানিমুনি, দোৰোণ, আমচিঙিৰি টেঙা ইত্যাদি। এই সাতটা আগ বা পাত কণীৰ লগত ভাজি আবেলি ঘৰৰ সকলোৱে খায়। গৰু বিহুৰ দিনাখন খালেহে ই শৰীৰত ঔষধি গুণ দিয়ে আৰু বেলেগ দিনা খালে ইয়াৰ কোনো ঔষধি গুণ পোৱা নাযায় বুলি ৰাভাসকলে বিশ্বাস কৰে। এই গৰু বিহুৰ দিনাখন বহু ঠাইত বহু নিয়ম আছে। ঠিক সেইদৰে গোৱালপাৰা জিলাৰ ৰংজুলি অঞ্চলৰ বানীয়াপাৰা গাঁৱত এই বিহুৰ দিনাখন ৰাতিপুৱা সাতটা আম বাকলি নগুচোৱাকৈ খোৱা হয়। আৰু এই নিয়মটো পৰম্পৰাগতভাবে এই অঞ্চলত চলি আহিছে। গতিকে ৰাভাসকলৰ মাজত এই সাতশাক খোৱা নিয়ম এক লেখত ল'বলগীয়া বিষয়।

ওপৰত উল্লিখিত বনৰীয়া শাক-পাতৰ উপৰি ৰাভাসকলে আমি নজনা আৰু বহুতো শাক-পাচলি খায়। আমি ভাবো হয়তো কোনোবা অভিজ্ঞ গৱেষকসকলে ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে এই বনৰীয়া শাক-পাচলি চিনাক্ত কৰি ইয়াৰ ঔষধি গুণ বা খোৱাৰ পদ্ধতিক পোহৰলৈ আনি আন জনগোষ্ঠীৰ মাজতো ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰিব।

বৰ্তমান আধুনিক আৰু যান্ত্ৰিকতাৰ যুগত এচাম চহৰমুখী ৰাভালোকে এই বনৰীয়া শাক-পাচলি খাবলৈ পাহৰি গৈছে। এইবোৰ খোৱা বুলি জানিলে আন উচ্চ জাতিৰ ওচৰত হ্যয় হোৱাৰ ভয়ত বা সৰু হোৱাৰ ভয়ত নিজৰ চিনাকি এই বনৰীয়া শাক-পাত খাবলৈ এৰি আজিৰ আধুনিক খাদ্য সম্ভাৰে আমাৰ পাকঘৰ শুৱনি কৰিছে আৰু এই ৰাসায়নিক সাৰ প্ৰয়োগযুক্ত শাক-পাচলি খাই মানুহৰ দেহত বহুতো ৰোগৰ সৃষ্টি হ'বলৈ ধৰিছে। গতিকে সুস্থ আৰু নিৰোগী জীৱন-যাপন কৰিবলৈ হ'লে আধুনিক শাক-পাচলৰ উপৰিও এই বনৰীয়া শাক-পাচলিবোৰৰ প্ৰয়োজন আছে।

●●●


প্ৰসঙ্গ পুথি ঃ

১। খাখলাৰী, জ্ঞানশংকৰ ঃ লোক সংস্কৃতিত এভুমুকি, প্ৰকাশক সেউজী প্ৰকাশন, ১৯৯০ চন।

২। গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, প্ৰকাশক শ্ৰীপ্ৰদ্যুৎ হাজৰিকা, ২০১৫ চন।

৩। ছাত্তাৰ, আব্দুৰ ঃ সংমিশ্ৰণত অসমীয়া সংস্কৃতি, প্ৰকাশক মিচেচ মচহুদা ছাত্তাৰ, ১৯৬৫ চন।

৪। বৰা, দেৱজিৎ ঃ উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি, প্ৰকাশক অপূৰ্ব কলিতা, ২০১৪ চন।

৫। বেজবৰুৱা, লক্ষ্মীনাথ ঃ তত্ব কথা, প্ৰকাশক উৎপল হাজৰিকা, ২০০৬ চন।

৬। ভকত, দ্বিজেন্দ্ৰ নাথ ঃ ৰাজবংশী লোক-সাহিত্য, প্ৰকাশিকা- অনন্যা ভকত, ২০১৩ চন।

৭। নাথ, ভকত ঃ অসমীয়া সংস্কৃতিৰ পটভূমি, প্ৰকাশক উৎপল হাজৰিকা, ১৯৯৬ চন।

৮। শইকীয়া, নগেন ঃ গৱেষণা পদ্ধতিৰ পৰিচয়, প্ৰকাশক বনলতা প্ৰকাশ, ১৯৯৬ চন।

৯। শৰ্মা, নবীন চন্দ্ৰ ঃ লোক সংস্কৃতি, প্ৰকাশক চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৩ চন।

১০। হাকাচাম, ড° উপেন ৰাভা ঃ অসমৰ জনজাতীয় সংস্কৃত, প্ৰকাশক উৎপল হাজৰিকা, ২০০৫ চন।